Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MAY 13, 2025 ■ মঙলবাৰ, ২৯ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩৫ Guwahati, Assam ।। মূল্যঃ এটকা

## উৰিব বিমান! আকৌ স্বাভাৱিক বিমান বন্দৰ

ই-সংবাদ, ১২ মে': ভাৰত-পাকিস্তানৰ মাজত ৬ মে'ৰ পৰা আৰম্ভ হোৱা সামৰিক সংঘাতৰ অন্তত ২ নং পৃষ্ঠাত

## ৰঙা চীনেৰে সম্পৰ্কৰ উন্নতি আমেৰিকাৰ

ই-সংবাদ, ১২ মে': বাণিজ্যিক উত্তেজনা হ্ৰাস কৰাৰ লক্ষ্যৰে ৩ নং পৃষ্ঠাত



## পঞ্চায়তত বিজেপিৰ জয়

ই-সংবাদ, ১২ মে': কালিৰে পৰা পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা অব্যাহত আছে। ফলাফল ঘোষণাৰ ৩ পৃষ্ঠাত



ইন্দিৰা চৰ্চা! দিল্লীত ত্ৰিৰংগা আৰু ইন্দিৰা গান্ধীৰ ফটো লৈ এনএছইউআইৰ ৰেলী

### মোদীৰ ভাষণৰ পূৰ্বেই ট্ৰাম্পৰ ভাষণ

## বেহা-বেপাৰ বন্ধ কৰিব বুলি কৈ যুদ্ধ বন্ধ কৰিছে বুলি দাবী ড'নাল্ড ট্ৰাম্পৰ



নিউয়ৰ্ক, ১২ মে': ভাৰত আৰু পাকিস্তানৰ মাজত সম্ভাব্য পাৰমাণৱিক যুদ্ধ ৰোধ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল ট্ৰাম্প শেষাংশ ২ পৃষ্ঠাত

### পাকিস্তানৰ পাৰমাণৱিক ব্লেকমেইলিং সহি নাথাকে বুলি সকীয়নি মোদীৰ

# ট্ৰাম্পৰ দাবী অস্বীকাৰ নকৰাকৈ প্ৰধানমন্ত্ৰীৰ ভাষণ

■ এতিয়াও সমাপ্তি ঘটা নাই 'অপাৰেশ্যন সেন্দূৰ'ৰ! সুদীৰ্ঘ দিনৰ অন্তত নিশা ৮ বজাত দেশক সম্বোধন



নতুন দিল্লী, ১২ মে': ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমবাৰে নিশা দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত ঘোষণা কৰিলে যে 'অপাৰেচন সেন্দুৰ' এতিয়াও সমাপ্ত হোৱা নাই। মোদীয়ে কয় যে ইছলামাবাদৰ অনুৰোধত ২ নং পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### সীমান্তত হ্ৰাস কৰিব সৈন্য সঞ্চালন

## ভাৰত-পাকিস্তানৰ ডিজিএমঅ' স্তৰৰ বৈঠকত একাধিক বুজাবুজি



নতুন দিল্লী, ১২ মে': ভাৰত আৰু পাকিস্তানৰ মাজত এটাও গুলীও নচলোৱাৰ চুক্তি হৈছে। ইয়াৰ উপৰিও ৩ পৃষ্ঠাত

### এয়া নতুন ভাৰত বুলি মন্তব্য মুখ্যমন্ত্ৰীৰ

## পাকিস্তানত সোমাই দৃঢ়তাৰে আক্ৰমণ কৰিছে!

ই-সংবাদ, ১২ মে': ভাৰত-পাকিস্তানৰ চাৰিদিনীয়া সামৰিক সংঘাতৰ অন্তত ১০ মে'ত দুয়োখন দেশে আমেৰিকাৰ হস্তক্ষেপত শেষাংশ ২ পৃষ্ঠাত

## বিহু পুতা-নপতা সম্পৰ্কীয় সিদ্ধান্ত শিথিল, পঞ্চায়ত ৰিজাল্টত সন্তুষ্টি

# বেহা-বেপাৰ বন্ধ কৰিব

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

প্ৰশাসনে! আজি প্ৰকাশিত এক বিবৃতিত এই বিস্ফোৰক দাবী উত্থাপন কৰে মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে। তেওঁ দাবী কৰে যে আমেৰিকাই হস্তক্ষেপ নকৰা হ'লে ভাৰত-পাকিস্তানৰ সংঘাত পাৰমাণৱিক যুদ্ধত পৰিণত হ'লহেঁতেন। তেওঁ লগতে কয় যে তেওঁৰ নেতৃত্বত থকা প্ৰশাসনে ভাৰত-পাকিস্তানৰ মাজত সংঘটিত হোৱা শেহতীয়া সশস্ত্ৰ সংঘাতৰ সময়ত যুটীয়া ৰাজনৈতিক আৰু কূটনৈতিক প্ৰচেষ্টাৰে দুয়োখন দেশক যুদ্ধ বন্ধ কৰিবলৈ বাধ্য কৰিছিল। উল্লেখ্য, এই সংঘাত আৰম্ভ হৈছিল কাশ্মীৰত হোৱা এক সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত, য'ত ভাৰতৰ ২৬ জন নিৰীহ লোক নিহত হৈছিল। ভাৰতে এই আক্ৰমণত পাকিস্তানে পোহপাল দি ৰখা উগ্ৰপন্থী গোটবোৰ থকাৰ প্ৰমাণ পোৱাৰ পিছত 'অপাৰেচন সিন্দূৰ' আৰম্ভ কৰিছিল। "যোৱা কেইদিনমানৰ পৰা সংঘটিত হোৱা ঐতিহাসিক পৰিঘটনাসমূহৰ বিষয়ে কেইটামান কথা কওঁ। "শনিবাৰে মোৰ প্ৰশাসনে সম্পূৰ্ণ আৰু তাৎক্ষণিক যুদ্ধবিৰতিৰ মধ্যস্থতা কৰাত সহায় কৰিছিল। মই ভাবোঁ ভাৰত আৰু পাকিস্তানৰ মাজত স্থায়ী যুদ্ধবিৰতিয়ে বহু পাৰমাণৱিক অস্ত্ৰ থকা দুয়োখন দেশৰ বিপজ্জনক সংঘাতৰ অন্ত পেলায়।" ট্ৰাম্পে কয় যে আমেৰিকাই লাখ লাখ লোকৰ মৃত্যুৰ সম্ভাৱনা থকা ভাৰত আৰু পাকিস্তানৰ মাজত সংঘটিত সম্ভাব্য পাৰমাণৱিক যুদ্ধ বন্ধ কৰাত সহায় কৰি গৌৰৱান্বিত। হোৱাইট হাউছত সাংবাদিকৰ আগত ট্ৰাম্পে কয়, 'আমি পাৰমাণৱিক সংঘাত বন্ধ কৰি দিলোঁ। মই ভাবোঁ যে ই এটা ভয়ংকৰ পাৰমাণৱিক যুদ্ধত পৰিণত হ'ব পাৰিলেহেঁতেন, লাখ লাখ লোকৰ মৃত্যু হ'লহেঁতেন। গতিকে মই সেইটোক লৈ বহুত গৌৰৱান্বিত।"

# উৰিব বিমান! আকৌ

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

আমেৰিকা যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপত ১০ মে'ত যুদ্ধবিৰতি ঘোষণা কৰে দুয়োখন দেশে। তাৰ পিছতো ভাৰতৰ বন্ধ হৈ থকা ৩২ টা বিমানবন্দৰৰ সেৱা আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। উত্তেজনা বৃদ্ধি পোৱাত ভাৰতে ৯ মে'ত ৩২ টা বিমানবন্দৰৰ বন্ধ ঘোষণা কৰিছিল যদিও আটাইকেইটাত পুনৰ সেৱা আৰম্ভ কৰা হৈছে। ১৫ মে'ৰ ৫.২৯ বজালৈকে অসামৰিক বিমান পৰিসেৱাৰ বাবে ৩২ টা বিমানবন্দৰ সাময়িকভাৱে বন্ধ ৰখাৰ বাবে জাননী জাৰি কৰিছিল। বিমানবন্দৰবোৰ এতিয়া তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ অসামৰিক বিমান সেৱাৰ বাবে উপলব্ধ হৈছে। আজি বিভাগে জাৰি কৰা নিৰ্দেশনাত বাণিজ্যিক বিমান সেৱা আৰম্ভ কৰাৰ অনুমতি প্ৰদান কৰা হৈছে। পঞ্জাবৰ আদমপুৰ, অমৃতসৰ, ভাটিণ্ডা, হালৱাৰা, লুধিয়ানা, পাটিয়ালা, পাঠানকোট, হাৰিয়ানাৰ আম্বালা-হিমাচল প্ৰদেশৰ চিমলা, কুল্লু, গাগ্গল, চণ্ডীগড়, জম্মু-কাশ্মীৰ আৰু লাডাখৰ লেহ, থইছে, জম্মু, শ্ৰীনগৰ, অৱন্তিপোৰা, ৰাজস্থানৰ বিকানেৰ, জৈছেলমেৰ, কিষাণগড়, উত্তৰলাই, গুজৰাটৰ ভুজ, জামনগৰ, কান্দলা, কেশোদ, মুন্দ্ৰা, পোৰবন্দৰ, ৰাজকোট, নালিয়া, উত্তৰ প্ৰদেশৰ হিণ্ডন, চাহাৰানপুৰত সেৱা আৰম্ভ কৰা হৈছে। যাত্ৰীসকলক পৰামৰ্শ দিয়া হৈছে যে এয়াৰলাইনৰ জৰিয়তে পোনপটীয়া উৰণৰ স্থিতি সংগ্ৰহ কৰিবলৈ এয়াৰলাইনৰ ৱেবছাইটত চাবলৈ আহ্বান জনাইছে। যাত্ৰীসকলক পৰামৰ্শ দিয়া হৈছে যে সময়সূচীৰ বাবে নিজৰ সংশ্লিষ্ট বিমান সংস্থাৰ সৈতে যোগাযোগত থাকক। ইণ্ডিগ' আৰু এয়াৰ ইণ্ডিয়াই নিশ্চিত কৰিছে যে পূৰ্বে স্থগিত ৰখা আকাশী পথত ক্ৰমান্বয়ে সেৱা পুনৰ আৰম্ভ হ'ব। ইণ্ডিগ'ৱে কয় যে চৰকাৰৰ শেহতীয়া নিৰ্দেশনা অনুযায়ী বিমানবন্দৰসমূহ বিমান সেৱাৰ বাবে মুকলি কৰা হৈছে। পূৰ্বে বন্ধ কৰা আকাশী পথত ক্ৰমান্বয়ে সেৱা আৰম্ভ হ'ব। সেৱাসমূহ ক্ৰমান্বয়ে স্বাভাৱিক পৰ্যায়লৈ উভতি আহিব। ৩২ টা বিমানবন্দৰ আকস্মিকভাৱে বন্ধ হোৱাত কেইবালাখ যাত্ৰী সমস্যাত পৰিছিল।

# পাকিস্তানত সোমাই দৃঢ়তাৰে

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

যুদ্ধবৰিতি ঘোষণা কৰে। ৬ মে'ৰ নিশা ভাৰতৰ অপাৰেচন সিন্দূৰৰ অন্তত দুয়োখন দেশৰ মাজত সামৰিক সংঘাত অব্যাহত আছিল যদিও তৃতীয় পক্ষ আমেৰিকাৰ হস্তক্ষেপত দুয়োখন দেশে যুদ্ধবিৰতি ঘোষণা কৰে। যুদ্ধবিৰতিত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপত যুদ্ধবিৰতি ঘোষণা কৰাত দেশৰ বিৰোধীয়ে নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় চৰকাৰক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে। ইন্দিৰা গান্ধীয়ে ১৯৭১ চনত পাকিস্তানক দুভাগত বিভক্ত কৰাৰ বিষয়টোক লৈ কংগ্ৰেছে বিজেপিক ঘেৰাও কৰাৰ সময়তে বিজেপিৰ নেতাসকলে বিগত চাৰি দিনৰ বিভিন্ন বিষয়ক সফলতা আখ্যা দি কংগ্ৰেছক প্ৰত্যুত্তৰ দি গৈছে। পিছপৰি থকা নাই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও। এদিন পূৰ্বে মুখ্যমন্ত্ৰী ড০ শৰ্মাই বাংলাদেশ স্বাধীন হোৱাৰ পিছতো হিন্দুৰ সংখ্যা হ্ৰাস পোৱাৰ কথা উল্লেখ কৰি কংগ্ৰেছক প্ৰত্যুত্তৰ দিয়ে। আজি অপাৰেচন সিন্দূৰৰ প্ৰসংগ উল্লেখ কৰি মন্তব্য প্ৰদান কৰিছে মুখ্যমন্ত্ৰী ড০ শৰ্মাই। অপাৰেচন সিন্দূৰ আৰু ভাৰতৰ উৰ্বৰা শক্তিৰ বিষয়ে সেনাই কৰা সংবাদমেল সম্বোধন সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় সেনাবাহিনীৰ শৃংখলা, পেছাদাৰিতা আৰু স্বচ্ছতাৰ ভূয়সী প্ৰশংসা কৰে। বিশেষকৈ অপাৰেচন সিন্দূৰ আৰু ভাৰতীয় সেনাৰ সামৰিক অভিযানৰ মহানিৰ্দেশৰ সংবাদমেলক লৈ কয় যে সংবাদমেল গুৰুত্বপূৰ্ণ, নিঃসংকোচ পেছাদাৰী আৰু নিৰ্মমভাৱে সত্যভিত্তিক। তেওঁলোকে কঠিন প্ৰশ্নসমূহৰ সন্মুখীন হ'লেও কুণ্ঠাবোধ কৰা নাই। ভাৰতীয় সেনাই পাকিস্তানৰ ভিতৰৰ গভীৰ অঞ্চলত সঠিকভাৱে, দৃঢ়তাৰে আক্ৰমণ কৰিছে। ভাৰতৰ ইন্টিগ্ৰেটেড এয়াৰ ডিফেন্স ছিষ্টেমৰ উচ্চ প্ৰযুক্তি সক্ষমতা প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আমাৰ ইন্টিগ্ৰেটেড এয়াৰ ডিফেন্স ছিষ্টেমৰ কেৱল এটা ঢাল নহয়, ই ভাৰতৰ প্ৰযুক্তিগত প্ৰভুত্ব আৰু সামৰিক আধিপত্যৰ ঘোষণা কৰে। আজি ভাৰতে আকাশৰ পৰা মাটিলৈকে যুঁজৰ নীতি নিৰ্ধাৰণ কৰে। অপাৰেচন সিন্দূৰে পেহেলগামত হোৱা জঘন্য সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত ১০০ ৰো অধিক সন্ত্ৰাসবাদীক ধ্বংস কৰিছে। এয়া নতুন ভাৰত--- প্ৰচাৰৰ কথা নহয় — ই কৌশলত চালিত, শক্তিত বলীয়ান আৰু তথ্যৰ ওপৰত আধাৰিত। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে ভাৰতৰ এই দৃঢ়তা কেৱল সামৰিকভাৱে নহয়, অৰ্থনৈতিকভাৱে দ্ৰুত বিকাশৰ ফল। জিএছটিৰ দৰে আৰ্থিক পৰিকল্পনাই ৰাফেল জেট আৰু এছ-৪০০ মিছাইল ছিষ্টেমৰ দৰে আধুনিক অস্ত্ৰ কিনাত সহায় কৰিছে। ভাৰত এতিয়া অধিক আগুৱাই যাব বুলিও কয় প্ৰধানমন্ত্ৰীয়ে।

# আকৌ হত্যাকাণ্ড! গড়চুকত ছুৰীৰে আক্ৰমণ কৰি যুৱকক হত্যা

**ই-সংবাদ, ১২ মে':** গুৱাহাটী মহানগৰীৰ গড়চুক চাৰিআলিত আজি চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। ছিলভাৰ অৰ্কিড নামৰ হোটেলখনৰ পাৰ্কিং এলেকাত মৃগাংক বৰ্মন নামৰ এজন যুৱকক ছুৰীৰে নিৰ্মমভাৱে আক্ৰমণ কৰা হয়। আক্ৰমণৰ ফলত মৃগাংক বৰ্মন গুৰুতৰভাৱে আহত হয় আৰু ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। শৰীৰত ছুৰীৰ আক্ৰমণ স্পষ্ট হৈ আছিল। আৰক্ষীয়ে অভিযুক্ত ৰাজু আলীক গ্ৰেপ্তাৰ কৰে। গড়চুক চাৰিআলিৰ ছিলভাৰ অৰ্কিড নামৰ হোটেলখনৰ পাৰ্কিংত মুমূৰ্ষু অৱস্থাত মৃগাংক বৰ্মনক উদ্ধাৰ কৰা হৈছিল। জানিব পৰা মতে, মৃগাংক বৰ্মন এগৰাকী যুৱতীৰ সৈতে হোটেলখনত আছিল। মৃগাংকই হোটেলখনৰ পাৰ্কিংত যুৱতীগৰাকীৰ সৈতে কাজিয়াত লিপ্ত হৈছিল বুলি সন্দেহ কৰা হৈছে। ৰাজু আলীৰ সৈতেও যুৱতীগৰাকীৰ সু-সম্পৰ্ক আছিল। এই ঘটনাৰ পিছতেই আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। তদন্তৰ জৰিয়তে আৰক্ষীয়ে এক আশ্চৰ্যজনক তথ্য উন্মোচন কৰে- এই হত্যাকাণ্ডৰ ঘটনাত জড়িত আছিল ৰাজু আলী। যুৱতীৰ প্ৰেমক লৈ বিবাদ হোৱাৰ ফলতে এই ঘটনাটো সংঘটিত হোৱাৰ অনুমান কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰঙা চীনেৰে সম্পৰ্কৰ উন্নতি

আমেৰিকা আৰু চীনে তেওঁলোকৰ মাজত চলি থকা বাণিজ্য যুদ্ধত ৯০ দিনৰ বাবে বিৰতি ল'বলৈ সন্মত হৈছে, যাৰ ফলত পাৰস্পৰিক শুল্ক ১১৫ শতাংশ পইণ্ট হ্ৰাস পাইছে। এই চুক্তিখন দ্বিপাক্ষিক অৰ্থনৈতিক সম্পৰ্ক সুস্থিৰ কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। চুক্তিখনৰ চৰ্ত অনুসৰি আমেৰিকাই চীনৰ সামগ্ৰীৰ ওপৰত শুল্ক ১৪৫%ৰ পৰা ৩০% লৈ হ্ৰাস কৰাৰ বিপৰীতে চীনে আমেৰিকাৰ সামগ্ৰীৰ ওপৰত শুল্ক ১২৫% ৰ পৰা ১০% লৈ হ্ৰাস কৰিব। এই পাৰস্পৰিক সিদ্ধান্তই চলিত বৰ্ষৰ আৰম্ভণিতে জাৰি কৰা তীব্ৰ শুল্ক বৃদ্ধিৰ সমস্যা সমাধান কৰে, যিয়ে দুয়োখন দেশৰ মাজত উত্তেজনা বৃদ্ধি কৰিছিল। জেনেভাত উচ্চ পৰ্যায়ৰ আলোচনাৰ সময়ত দেশ দুখন এই চুক্তিত উপনীত হয়, যিয়ে আলোচনাৰ জৰিয়তে বাণিজ্যিক বিবাদ সমাধানৰ বাবে এক উমৈহতীয়া প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। চুক্তিখনত ৯১% শুল্ক স্থগিত বা বাতিল কৰাৰ কথাও উল্লেখ কৰা হৈছে। অতিৰিক্ত ২৪% শুল্ক পৰৱৰ্তী ৯০ দিনৰ বাবে স্থগিত ৰখা হৈছে। এই সাময়িক হ্ৰাসে দুয়োখন দেশৰ ব্যৱসায়ী আৰু গ্ৰাহকৰ ওপৰত হেঁচা কমাই দিব, যাৰ ফলত বাণিজ্য আৰু বিনিয়োগৰ বাবে অধিক অনুকূল পৰিৱেশৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। এই খবৰৰ প্ৰতি বিত্তীয় বজাৰসমূহে ইতিবাচক সঁহাৰি জনাইছে। চুক্তিৰ খবৰত ইতিবাচক প্ৰতিক্ৰিয়া দেখা গৈছে বৈদেশিক বজাৰত। ডাও জোন্স ইণ্ডাষ্ট্ৰিয়েল এভাৰেজ ২.২% বৃদ্ধি পাইছে, এছএণ্ডপি ৫০০ বৃদ্ধি পাইছে ২.৮% আৰু নাছডাক কম্প'জিট ৩.৮% বৃদ্ধি পাইছে। ইউৰোপৰ আৰু এছিয়াৰ বজাৰেও সম্ভাৱনাৰ সঁহাৰি প্ৰদান কৰে — হংকঙৰ হাং ছেং সূচক ৩% বৃদ্ধি পায়। এই চুক্তিখন আদৰণীয় হ'লেও বিশ্লেষকসকলে সতৰ্ক কৰি দিছে যে ইয়াৰ দ্বাৰা দুয়োখন ৰাষ্ট্ৰৰ মাজত থকা অন্তৰ্নিহিত গাঁথনিগত সমস্যা সমাধান নহয়। এই উদ্বেগসমূহৰ সমাধানৰ বাবে আলোচনাৰ পৰিকল্পনা কৰা হৈছে, দুয়োপক্ষই আলোচনা আৰু সহযোগিতা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰিছে। এই যুদ্ধবিৰতিয়ে অৰ্থনৈতিক উত্তেজনা হ্ৰাস কৰাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপক প্ৰতিনিধিত্ব কৰে আৰু ই ভৱিষ্যতে অধিক ব্যাপক বাণিজ্য সংস্কাৰৰ পথ প্ৰশস্ত কৰিব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়তত বিজেপিৰ জয়

পিছতে অসম বিজেপিত আনন্দৰ পৰিৱেশ দেখা গৈছে। কিয়নো পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বিজেপিয়ে প্ৰায় আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত একচেটিয়া আধিপত্য বিস্তাৰ কৰিছে। মুখ্য বিৰোধী কংগ্ৰেছে ভাল ফলাফল কৰিবলৈ সক্ষম নহ'ল। লগতে বামপন্থী দলসমূহ, ৰাইজৰ দল, অসম জাতীয় পৰিষদেও বহু বেছি ভাল ফলাফল কৰিব নোৱাৰিলে। নিশা ১ বজা পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত বিজেপিয়ে ৩০২ খন আসন লাভ কৰিছে। কংগ্ৰেছে ৭০ খন আৰু অন্যান্যই ১৭ খন আসন লাভ কৰিছে। উজনি অসমত বিজেপিয়ে জিলা পৰিষদত ১৬২ খন আসন লাভ কৰিবলৈ সক্ষমন হৈছে। কংগ্ৰেছে মাথোঁ ৪ খন আসন লাভ কৰিছে। লোকসভা নিৰ্বাচনৰ তুলনাত পঞ্চায়ত নিৰ্বাচনত উজনি অসমত বিজেপিয়ে উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। যোৰহাটৰ দৰে বিজেপিৰ হাতত থকা লোকসভা সমষ্টিত কংগ্ৰেছে লাভ কৰিবলৈ সক্ষম হৈছে। গৌৰৱ গগৈক যোৰহাটবাসীয়ে ভোট দিছিল। কিন্তু মাথোঁ কেইটামান মাহৰ পিছতে গৌৰৱ গগৈৰ প্ৰতি ভোটাৰৰ মোহভংগ হৈছে। নামনি অসমৰ জিলা পৰিষদত বিজেপিয়ে ৮০ খন, কংগ্ৰেছে ২৮ খন লাভ কৰিবলৈ সক্ষম হৈছে। বৰাকত জিলা পৰিষদত বিজেপিয়ে ২৯ খন আনস আৰু কংগ্ৰেছে ২৯ খন আসন লাভ কৰিবলৈ সক্ষম হৈছে। মধ্য অসমত বিজেপিয়ে ৩১ খন আৰু কংগ্ৰেছে ১৯ খন আসন লাভ কৰিছে। আঞ্চলিক পঞ্চায়তৰ সদস্যৰ সংখ্যা হৈছে ২১৯২। নিৰ্বাচন আয়োগৰ তথ্য মতে এই বাতৰি যুগুতোৱা পৰ্যন্ত ইয়াৰে বিজেপি-অগপৰ মিত্ৰজোঁটে ৪৫৩ খন, কংগ্ৰেছে ৭০ খন এআইইউডিএফে ৮ খন, ৰাইজৰ দলে ৪ খন আৰু অন্যান্যই ৩৭ খন লাভ কৰিছে। কংগ্ৰেছে কেৱল এখন জিলাতে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। কংগ্ৰেছ নগাঁও জিলাত উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। নগাঁৱৰ ২৭ খন জিলা পৰিষদৰ ভিতৰত ১৩ খনত কংগ্ৰেছ, ১১ খনত বিজেপি আৰু ৩ খনত অগপ জয়ী হৈছে। অসম জাতীয় পৰিষদৰ ১১৫ জন ৱাৰ্ড সদস্য জয়ী হৈছে। ৩ জনে আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে জয়লাভ কৰিছে। ৰাইজৰ দলে ৩ খন জিলা পৰিষদ, ১৯ খন আঞ্চলিক পৰিষদ আৰু ২২৪ টাত ৱাৰ্ড সদস্য জয়ী হৈছে। কালিৰে পৰা পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হৈছে। বিটিআৰ, ডিমা হাচাও স্বায়ত্তশাসিত আৰু কাৰ্বি স্বায়ত্তশাসিত এলেকাৰ বাহিৰে বাকী সকলো ঠাইতে অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনা কৰা হয়। পঞ্চায়ত নিৰ্বাচনৰ ফলাফল অনুসৰি বিজেপিৰ 'মেজিক' চলে। বিৰোধীৰ অৱস্থা তথৈবচ দেখা যায়। সংখ্যালঘু এলেকাতে কংগ্ৰেছে ভাল ফলাফল কৰিব পৰা নাই। আনহাতে ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে আশা কৰিছিল যদিও খুব বেছি ভাল ফলাফল কৰিব পৰা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰত-পাকিস্তানৰ ডিজিএমঅ'

কোনো পক্ষই আনটোৰ বিৰুদ্ধে আক্ৰমণাত্মক বা শত্ৰুতামূলক কাৰ্য্যত লিপ্ত নহ'ব বুলিও সিদ্ধান্ত লোৱা হৈছে। এই চুক্তি অক্ষুণ্ণ ৰখাৰ বিষয়ে আলোচনা হৈছিল দুয়োদেশৰ 'সামৰিক অভিযান পৰিচালনাৰ প্ৰত্যক্ষ অধিনায়ক' (ডিজিএমঅ')ৰ বৈঠকত। ইয়াৰ লগতে সীমান্ত আৰু সীমান্তৰ ওচৰৰ অঞ্চলৰ পৰা সেনা সংখ্যা কমোৱাৰ কথাও আলোচনাত উত্থাপিত হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ উৎসৰ পৰা জনোৱা হৈছে যে, যুদ্ধবিৰতিৰ ঘোষণাৰ পিছত সোমবাৰে প্ৰথমবাৰৰ বাবে ডিজিএমঅ' স্তৰত ভাৰত-পাকিস্তানৰ মাজত বৈঠক অনুষ্ঠিত হৈছিল। ভাৰতৰ ডিজিএমঅ' ৰাজীৱ ঘাই আৰু পাকিস্তানৰ ডিজিএমঅ' কাশিফ আব্দুল্লাহৰ মাজত পৰিস্থিতি সম্পৰ্কীয় আলোচনা হৈছিল। মূলত দুপৰীয়া ১২ বজাত এই সভাৰ সময় ধাৰ্য্য কৰা হৈছিল যদিও পিছলৈ সলনি কৰি আবেলি ৫ বজাত অনুষ্ঠিত কৰা হ'ল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে উল্লেখ কৰিছে যে সীমান্ত অঞ্চলৰ পৰিস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি আলোচনা আগবঢ়াই নিয়া হৈছিল। বিভিন্ন মহলৰ মাজত এই সভাত কি কি বিষয় আলোচনা হ'ব বুলি আগ্ৰহ আছিল। সংঘৰ্ষবিৰতিৰ ভৱিষ্যতক লৈয়ো বহুতেই উৎসুক আছিল। মন্ত্ৰণালয়ৰ উৎসৰ পৰা জনাইছে যে দুয়োদেশে গুলীচালনা বন্ধ ৰাখিবলৈ আৰু আক্ৰমণাত্মক কৌশলৰ পৰা বিৰত থাকিবলৈ পুনৰ চুক্তি কৰিছে। লগতে সীমান্ত আৰু সংলগ্ন অঞ্চলৰ পৰা সেনা সংখ্যা হ্ৰাস কৰিবলৈ তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰ বিষয়তো ঐক্যমতত উপনীত হৈছে। উল্লেখ্য যে, যোৱা শনিবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে প্ৰথমে ভাৰত-পাকিস্তানৰ মাজত সংঘৰ্ষবিৰতিৰ কথা ঘোষণা কৰিছিল। তেওঁ কৈছিল যে আমেৰিকাৰ মধ্যস্থতাত দীৰ্ঘ আলোচনাৰ পিছত দুয়োদেশে সংঘৰ্ষ বন্ধ কৰিবলৈ সন্মত হৈছে। পৰৱৰ্তী সময়ত ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে সাংবাদিকৰ আগত সংঘৰ্ষবিৰতিৰ সিদ্ধান্তৰ কথা নিশ্চিত কৰিছিল। তেওঁ সোমবাৰে ডিজিএমঅ' স্তৰৰ বৈঠকৰ কথাও জনাইছিল। আনহাতে, আজিৰ সেনাৰ সংবাদমেলতো একাধিক গুৰুত্বপূৰ্ণ কথা অৱগত কৰা হয়। কিন্তু এইবোৰৰ মাজতে নিশা পুনৰ সীমান্তত ড্ৰোন দেখিবলৈ পোৱাৰ কথা পোহৰলৈ আহে। অৱশ্যে পাকিস্তানে লগে লগে ড্ৰোন প্ৰেৰণৰ কথা অস্বীকাৰ কৰে। এনে পৰিপ্ৰেক্ষিতত যুদ্ধবিৰতিৰ বিষয়টোৱে কোন দিশে গতি কৰে সেয়া সময়তহে জানিব পৰা যাব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্পৰ দাবী অস্বীকাৰ নকৰাকৈ

অস্থায়ীভাৱে ইয়াক স্থগিতহে ৰখা হৈছে। তেওঁ কয়, ভাৰতীয় সেনাৰ হাতত পৰাস্ত হৈ পাকিস্তানে বিশ্বজুৰি সহায়ৰ আবেদন জনাইছে। ১০ মে'ত পাকিস্তানী সেনাৰ ডিজিএমঅ'ই ভাৰতৰ ডিজিএমঅ'ক ফোন কৰি সন্ত্ৰাসবাদী কাৰ্য্যকলাপ আৰু সেনা অপাৰেচন বন্ধ কৰিব বুলি জানিবলৈ দিয়াত ভাৰতে সংঘৰ্ষবিৰতিৰ কথা বিবেচনা কৰে। ২২ এপ্ৰিলৰ পেহেলগাম হত্যাকাণ্ডৰ প্ৰতিশোধত ৬ মে'ৰ নিশা পাকিস্তানৰ পঞ্জাৱ প্ৰদেশ আৰু পাক-দখলীয় কাশ্মীৰৰ নটা সন্ত্ৰাসবাদিৰ ঘাটিলৈ লক্ষ্য কৰি ভাৰতীয় সেনাই আক্ৰমণ চলাইছিল। ইয়াৰ পিছত প্ৰথমবাৰৰ বাবে মোদীয়ে ৰাজহুৱাভাৱে ভাষণ দিয়ে। বুদ্ধ পূৰ্ণিমাৰ ভাষণত তেওঁ কয়, "এই যুগ যুদ্ধৰ নহয়, কিন্তু সন্ত্ৰাসৰো নহয়। সন্ত্ৰাস আৰু আলোচনা একেলগে হ'ব নোৱাৰে। সন্ত্ৰাস আৰু বাণিজ্য একে সময়ত চলিব নোৱাৰে। তেজ আৰু পানী একেলগে বৈ যাব নোৱাৰে।" 'পানী'ৰ উল্লেখেৰে তেওঁ সিন্ধু চুক্তিৰ প্ৰতি ভাৰতৰ মনোভাৱ সূচাব বিচাৰে বুলি বিশ্লেষকসকলে ধাৰণা কৰিছে। মোদীয়ে দাবী কৰে, পাকিস্তানৰ ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ চৰম উদাহৰণ হৈছে পেহেলগামৰ ঘটনা। প্ৰতিটো যুদ্ধক্ষেত্ৰত ভাৰতে পাকিস্তানক পৰাস্ত কৰিছে। 'অপাৰেচন সেন্দুৰ'ৰ জৰিয়তেও সেই শ্ৰেষ্ঠত্ব প্ৰমাণিত হৈছে। পাক পঞ্জাবৰ মুৰিদকে'ত অৱস্থিত লস্কৰ-এ-তৈয়বাৰ মুখ্য কাৰ্যালয় 'মাৰ্কাজ তৈয়বা' আৰু বহৱালপুৰৰ জইশ-এ-মহম্মদৰ ঘাটিক তেওঁ 'সন্ত্ৰাসবাদৰ বিশ্ববিদ্যালয়' বুলি চিহ্নিত কৰি কয়, "৯/১১, লণ্ডনৰ বোমা বিস্ফোৰণৰ পৰা ২৬/১১লৈ সকলো সন্ত্ৰাসী কাণ্ডত এই ঠাইবোৰৰ সম্পৰ্ক আছে। আমি এই সন্ত্ৰাসী কেন্দ্ৰসমূহ ধ্বংস কৰিছোঁ।" পেহেলগামৰ প্ৰতিশোধত ভাৰতীয় সেনাৰ অপাৰেচনৰ পিছত পাকিস্তান বিচলিত হৈ পৰে বুলি উল্লেখ কৰি মোদীয়ে কয়, "সন্ত্ৰাসবিৰোধী যুদ্ধত ভাগ নলৈ সিহঁতে ভাৰতৰ বিৰুদ্ধে আক্ৰমণ কৰিছে। আমাৰ স্কুল-কলেজ, মন্দিৰ-গুৰুদ্বাৰ, সাধাৰণ নাগৰিকৰ ঘৰ-দুৱাৰ লক্ষ্য কৰা হৈছে। কিন্তু সিহঁত ব্যৰ্থ হৈছে। বিশ্বই দেখিছে কেনেকৈ পাকিস্তানী ড্ৰোন আৰু ক্ষেপণাস্ত্ৰ আকাশতে ধ্বংস কৰা হ'ল। তিনিদিনত পাকিস্তানক এনে ধ্বংসৰ প্ৰত্যুত্তৰ দিয়া হ'ল যিটো পাকিস্তানে কেতিয়াও কল্পনাই কৰা নাছিল। সেয়েহে এতিয়া আত্মৰক্ষাৰ পথ বিচাৰি দেশে-দেশে ঘূৰিছে।" প্ৰধানমন্ত্ৰীয়ে কয়, ভাৰতীয় সেনা সদা সাজু। আকাশ, জল, স্থল—প্ৰতিটো ক্ষেত্ৰত আমাৰ প্ৰস্তুতি আছে। সেনাই 'নিউ নৰ্মেল' সৃষ্টি কৰিছে। ভৱিষ্যতত প্ৰয়োজন হ'লে পুনৰ কঠোৰ প্ৰত্যুত্তৰ দিয়া হ'ব। কোনো পাৰমাণৱিক ভাবুকিক ভাৰতে সহ্য নকৰে বুলিও কয় মোদীয়ে। পাকিস্তানৰ পাৰমাণৱিক ব্লেকমেইলিঙক অনাগত দিনত গুৰুত্ব দিয়া নহ'ব বুলিও স্পষ্ট কৰি দিয়ে প্ৰধানমন্ত্ৰীয়ে। উল্লেখ্য যে আজি মোদীয়ে ভাষণ দিয়াৰ কিছু সময় পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পেও ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত ট্ৰাম্পে ভাৰত-পাকিস্তানৰ কথাও উল্লেখ কৰে। উক্ত ভাষণত ট্ৰাম্পে সোমবাৰে কয় যে সংঘাত বন্ধ কৰিবলৈ তেওঁ ভাৰত-পাকিস্তান দুয়োখন দেশকেই চাপ দিছিল। অন্যথা আন্তৰ্জাতিক বাণিজ্যত প্ৰভাৱ পৰিব বুলি সতৰ্কবাণীও দিছিল। ট্ৰাম্পৰ সেই সতৰ্কবাণীৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু পাকিস্তানে যুদ্ধবিৰতি ঘোষণা কৰিবলৈ সন্মত হয় বুলি ট্ৰাম্পে দৃঢ়তাৰে কয়। কিন্তু মোদীয়ে আজি নিজৰ ভাষণত ট্ৰাম্প আৰু আমেৰিকাৰ প্ৰসংগ এবাৰলৈয়ো উল্লেখ নকৰি কৌশলেৰে সমগ্ৰ বিষয়টো এৰাই চলে। ইয়াৰ পৰিৱৰ্তে মোদীয়ে এই সংঘাতক দ্বিপাক্ষিক বিষয় বুলিহে উল্লেখ কৰে। ট্ৰাম্পৰ মন্তব্যৰ নিজৰ ভাষণত কোনো মন্তব্য নকৰাত বিৰোধীয়ে সমালোচনা কৰা দেখা গৈছে প্ৰধানমন্ত্ৰী মোদীক।

# বিধায়ক সুৰেন ফুকনক পহুখেদা দিয়া জোনমণি মৰাণ পৰাস্ত

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ মে' :** যোৱা ২ মে' ত ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত এটা দিনতকৈ কম সময় বাকী থকা অৱস্থাত তিনিচুকীয়া জিলাৰ ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৫১ নং বৰহাপজান গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত নিৰ্বাচনী বিধি উলংঘা কৰি বিজেপি সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যোৱাৰ অভিযোগত স্থানীয় বিধায়ক সুৰেন ফুকনক পহুখেদা দিয়া ৱাৰ্ডটোৰ বিজেপি দলৰ প্ৰাক্তন ৱাৰ্ড সদস্যা তথা এইবাৰৰ নিৰ্দলীয় প্ৰাৰ্থীৰূপে ৱাৰ্ডটোৰ পৰা পুনৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা জানমণি মৰাণ পৰাজিত হৈছে। যোৱা ১ মে' ত সংঘটিত উক্ত ঘটনাৰ পৰা ৰাজ্যজুৰি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰা জোনমণি মৰাণে এইবাৰ নিৰ্বাচনত ৱাৰ্ডটোৰ নিতুমণি বৰুৱা মৰাণৰ হাতত ২৫৮ টা ভোটৰ ব্যৱধানত পৰাজিত হৈছে। বিজেপি সমৰ্থিত প্ৰাৰ্থীগৰাকীয়ে মুঠ ৩৯৮ টা ভোট লাভ কৰাৰ বিপৰীতে জোনমণি মৰাণে লাভ কৰে মাত্ৰ ১৪০ টা ভোট। আনহাতে, আনজন প্ৰাৰ্থী কামেশ্বৰ মাহাত্বই লাভ কৰে মাথোঁ ৫৮ টা ভোট। ৱাৰ্ডটোত মুঠ ৬৫৩ টা ভোট ভোটদান হোৱাৰ সমান্তৰালকৈ ৫৭ টা ভোট (ডাক বেলটসহ) নাকচ হ'য়। ৱাৰ্ডটোত মুঠ বৈধ ভোটৰ সংখ্যা (ডাক বেলট সহ) ৫৯৬ টা। ৭ নং ৱাৰ্ড তথা বৰহাপজান শান্তিপুৰ গাঁও নিবাসী জোনমণি মৰাণৰ এই পৰাজয়ে শাসকীয় বিজেপি দলৰ নেতা-কৰ্মীসকলৰ লগতে বিশেষকৈ স্থানীয় বিধায়ক সুৰেণ ফুকনক বাৰুকৈয়ে আনন্দ দিছে। কাৰণ, যোৱা ১ মে'ত সংঘটিত উক্ত ঘটনাই বিধায়ক সুৰেন ফুকনক জোলোকা-জোলোকে পানী খুৱাইছিল। ২ মে'ৰ ভোটগ্ৰহণৰ প্ৰাকমুহূৰ্তত বিধায়ক সুৰেন ফুকনক একপ্ৰকাৰ শ'লঠেকত পেলাইছিল। একপ্ৰকাৰ ৰাইজৰ ৰোষত পৰা বিধায়ক সুৰেন ফুকনে উপায়ান্তৰ হৈ লগে লগে ঘটনাস্থলী ত্যাগ কৰিবলৈ বাধ্য হৈছিল। ঘটনা সন্দৰ্ভত সন্ধিয়া বিধায়ক সুৰেন ফুকনে ফেচবুক লাইভযোগে ঘটনা সম্পৰ্কত স্পষ্টীকৰণ দিছিল। বিধায়ক ফুকনে ঘটনা সন্দৰ্ভত জোনমণি মৰাণক দোষাৰোপ কৰি কৈছিল যে জোনমণি মৰাণ তেওঁৰ আত্মীয় লোক। যোৱাবাৰ পঞ্চায়ত নিৰ্বাচনত জোনমণি মৰাণক তেওঁ নিজেই টিকট দিয়া বুলি কৈ জোনমণি মৰাণৰ ওপৰত বিভিন্ন অভিযোগ তুলিছিল। বিধায়ক সুৰেন ফুকনে কয়, "জোনমণি মৰাণ এগৰাকী মুখচোকা তিৰোতা। কাক, কেতিয়া কি কথা ক'ব লাগে সেয়া তাই নাজানে। তাই অনবৰতে কাজিয়া কৰি ভাল পায়। ৱাৰ্ড সদস্যা হিচাপে তাই সম্পূৰ্ণ বিফল। বিজেপিয়ে এইবাৰ তাইক সমৰ্থন নিদিয়াৰ বাবেই খং আৰু ক্ষোভতে তাই আবোল-তাবোল বলকিছে। মোৰ ওপৰত প্ৰতিশোধ লৈছে। মই কোনো নিৰ্বাচনী বিধি উলংঘা কৰা নাই। কালি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত মোৰ সমষ্টিৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈহে মই আজি আহিছিলোঁ। এইটো মোৰ দোষ নেকি? কাইলৈ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিন বুলিয়েই মই মোৰ সমষ্টিত ঘূৰিব নোৱাৰিম নেকি? মই যোৱা ২০ বছৰে মোৰ সাঁচতীয়া টকাৰে দুখীয়া ছাত্ৰ-ছাত্ৰীক শিক্ষাগ্ৰহণৰ সহায়ক হোৱাকৈ নগদ ধন আগবঢ়াই আহিছোঁ। কালিও মই মোৰ সমষ্টিৰ কেইবাটাও পঞ্চায়তত ঘূৰিলোঁ।" মুঠৰ ওপৰত ঘটনাৰ সমস্ত দোষ জোনমণি মৰাণলৈ ঠেলি দি ঘটনাৰ পৰা হাত সাৰিবৰ চেষ্টা কৰা সন্মানীয় ডিগবৈ বিধানসভা সমষ্টিৰ পৰা একেৰাহে ২ বাৰকৈ জয়ী হৈ অহা তথা প্ৰায়েই বিভিন্ন প্ৰসংগক লৈ সততে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি অহা বহুচৰ্চিত বিধায়ক সুৰেণ ফুকনৰ ৰাজনৈতিক কেৰিয়াৰ জোনমণি মৰাণৰ জয়-পৰাজয়ৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিছিল। কাৰণ জোনমণি মৰাণৰ জয় মানেই সুৰেণ ফুকনৰ ডিগবৈ সমষ্টিত বেলি মাৰ যোৱা। বিধায়ক সুৰেন ফুকনে ফেচবুক লাইভযোগে দিয়া দীঘলীয়া স্পষ্টীকৰণত উক্ত ঘটনাৰ সৈতে জোনমণি মৰাণৰ স্বামী সীমান্ত মৰাণ আৰু দেওৰেক হীৰকজ্যোতি মৰাণ জড়িত থকাৰ অভিযোগ তুলিছিল। লগতে ১১ মে' ৰ ভোটগণনাৰ দিনাই জোনমণি মৰাণৰ প্ৰকৃত স্বৰূপ ওলাই পৰিব বুলি কৈ জোনমণি মৰাণ বেয়াকৈ হাৰিব বুলি ভৱিষ্যদ্বাণী কৰিছিল। জোনমণি মৰাণে হীনমান্যতাত ভোগা বুলি কৈ সুৰেন ফুকনে ৭ নং ৱাৰ্ডত জোনমণি মৰাণে আই ৱাই ঘৰ নিৰ্মাণৰ লগতে জব কাৰ্ডৰ কামতো ব্যাপক বিসংগতি কৰাৰ অভিযোগ তুলিছিল। এইবাৰ নিৰ্বাচনত জোনমণি মৰাণে বিজেপিৰ পৰা সমৰ্থন নোপোৱাত কংগ্ৰেছ দলৰ সমৰ্থনত নিৰ্বাচনত অৱতীৰ্ণ হোৱা বুলিও অভিযোগ তুলিছিল বিধায়ক সুৰেন ফুকনে। ঘটনাৰ পাৰ্শ্বক্ৰিয়াস্বৰূপে বিধায়ক সুৰেন ফুকনৰ টিংৰাইস্থ বাসভৱনৰ পৰা ২০০ মিটাৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথৰ টিংৰাই বজাৰ তিনিআলিত যোৱা ৬ মে' ত বিধায়ক সুৰেন ফুকনৰ অতিকৈ ঘনিষ্ঠ টিংৰাইৰ বগাপানীৰ কল্পজ্যোতি ফুকন নামৰ বিজেপি দলৰ সক্ৰিয় কৰ্মীজনক ঘৰৰ পৰা একাংশ লোকে উঠাই আনি দিন-দুপৰতে ৰাজহুৱা স্থানত আঁঠু কঢ়াই, অৰ্ধউলংগ কৰি লপাথপা দিয়াৰ লগতে বেয়াকৈ অপদস্থ কৰিছিল, যি ঘটনাই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। মুঠৰ ওপৰত জোনমণি মৰাণৰ পৰাজয়ে বিজেপি দলক এক বৃহৎ সকাহ দিছে বুলি এতিয়া চৰ্চা চলিছে।

# নলবাৰীত সফলতাৰে সম্পন্ন পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া

**ই-সংবাদ, বাঁহজানী, ১২ মে':** নলবাৰী জিলাৰ ১২ খন জিলা পৰিষদৰ ১১ খনতে শাসকীয় বিজেপি আৰু অগপ দলৰ সমৰ্থিত প্ৰাৰ্থী বিজয়ী হৈছে। ইয়াৰ বিপৰীতে এখন আসনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী বিজয়ী হৈছে। জিলাখনৰ ঘগ্ৰাপাৰ জিলা পৰিষদৰ আসনত বিজেপিৰ ডিম্বেশ্বৰ বেজবৰুৱাই (১৫, ৪৬৯টা ভোট) কংগ্ৰেছৰ বিজয় তালুকদাৰক (৫,৭১৬) পৰাজিত কৰিছে। পশ্চিম বনভাগ জিলা পৰিষদত বিজেপিৰ হিতেশ বৰ্মনে (১৪,৪৬৯) কংগ্ৰেছৰ সংগীতা কলিতাক (৪,৩১১) পৰাজিত কৰিছে। টিহু জিলা পৰিষদত বিজেপিৰ ৰুবি দাসে (২২,৭৪৯) কংগ্ৰেছৰ নৃপেন্দ্ৰ নাথ দাসক (১০,০৮৪) পৰাজিত কৰিছে। জিলাখনৰ এক নম্বৰ উত্তৰ নলবাৰী জিলা পৰিষদত বিজেপিৰ মীনা ডেকা কলিতাই (২৩,২৪০) কংগ্ৰেছৰ ৰুণিমা বৈশ্যক (১০,১৯৭) পৰাজিত কৰিছে। একেদৰে মধুপুৰ জিলা পৰিষদত বিজেপিৰ দিলীপ বৰ্মন (২২,৩৯১) কংগ্ৰেছৰ উৎপল শৰ্মাক (১২,০৩৬) পৰাজিত কৰি জয়ী হৈছে। বৰক্ষেত্ৰী-পশ্চিম জিলা পৰিষদত কংগ্ৰেছৰ আব্দুল কাদিৰে (১৭,৯৮০) বিজেপিৰ নাজিমুদ্দিন আহমেদক (১৭,৫৫০) পৰাজিত কৰিছে। আনহাতে বৰভাগ জিলা পৰিষদ আসনত বিজেপিৰ গীতুমণি বৈশ্যই (৩৭,৬৩৯) কংগ্ৰেছৰ তুলসী দাসক (১৮,৫৫৩) পৰাজিত কৰিছে। মুকালমুৱা জাগাৰা জিলা পৰিষদত বিজেপিৰ দীপ্তি তালুকদাৰ বিজয়ী হৈছে। প্ৰাৰ্থীগৰাকীয়ে ১৯,৯৮৮ ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী দীপালী ডেকাই ভোট লাভ কৰে ১০,৬৯৯ টা ভোট। ইফালে বাঁহজানী জিলা পৰিষদত বিজেপি দলৰ হিতেশ তালুকদাৰে কংগ্ৰেছৰ নাৰায়ণ তালুকদাৰক পৰাজিত কৰিছে। জিলাখনৰ বৰক্ষেত্ৰী চৰ জিলা পৰিষদত বিজেপি দলৰ আনোৱাৰা খাতুনে কংগ্ৰেছৰ মনোৱাৰা খাতুনক পৰাজিত কৰিছে। পশ্চিম বৰক্ষেত্ৰী জিলা পৰিষদ আসনখনত বিজেপি দলৰ চিমি বৰ্মনে কংগ্ৰেছৰ বনশ্ৰী দাস বৰ্মনক পৰাজিত কৰি জয়ী হৈছে। ইফালে ধৰ্মপুৰ জিলা পৰিষদত বিজেপি দল শেৱালি বৰ্মনে (২১,৬২৫) কংগ্ৰেছৰ ৰিংকুমণি দাস ডেকাক (১৩,২৮১) পৰাজিত কৰিছে। ইফালে জিলা খনৰ ৬৫ খন আঞ্চলিক পঞ্চায়তত বিজেপি দলে ৫৪ খনত, অগপ দলে পাঁচখনত আৰু কংগ্ৰেছ দল পাঁচখন আসনত জয়ী হৈছে।

# যোৰহাটৰ সৰুচৰাই-চেঙেলীআটি পথত দুৰ্ঘটনাত যুৱক নিহত

**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ মে':** যোৰহাট পুলিবৰ আৰক্ষী থানাৰ এলেকাভুক্ত সৰুচৰাই-চেঙেলীআটি পথত আজি দুপৰীয়া সংঘটিত পথ দুৰ্ঘটনাত এজন যুৱক নিহত হয়। জানিব পৰা মতে, অঞ্চলটোৰ শ'লমৰাৰ সোমবৰীয়া সাপ্তাহিক বজাৰৰ সমীপৰ নিৱাসী মুখেশ্বৰ বৰাৰ পুত্ৰ ৰাজীৱ বৰাই (৩৫) যোৰহাটৰ দিশৰ পৰা এএছ ০৩ এ এম ৭৪৮৬ নম্বৰৰ এখন স্কুটিৰে ঘৰলৈ গৈ থকাৰ পথতে মালোঁপথাৰৰ ঐতিহাসিক বৰভেটিলৈ পথাৰৰ মাজেৰে যাতায়াত কৰা নতুনকৈ নিৰ্মিত পথটোত থকা আধাৰশিলাৰ দেৱালখনত খুন্দা মাৰি যুৱকজন ছিটিকি পৰে আৰু গুৰুতৰভাৱে আহত হয়। ঘটনাটো প্ৰত্যক্ষ কৰা স্থানীয় একাংশই আহত যুৱকজনক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। তেওঁ পিতৃ, পত্নীৰ লগতে এজন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়।

# তিনিচুকীয়াত পঞ্চায়ত নিৰ্বাচনত লুৰীণজ্যোতিৰ দলৰ উত্থান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ মে':** তিনিচুকীয়া জিলা পৰিষদৰ আটাইকেইখন আসনতে শাসকীয় বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে দখল কৰিবলৈ সক্ষম হোৱাটোৱে বিৰোধী দলৰ ব্যৰ্থতাকহে প্ৰতিফলিত কৰিছে। তিনিচুকীয়া জিলা পৰিষদৰ ২১ খন আসনৰ বিজেপি-মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে ২১ খন আসন লাভ কৰাৰ বিপৰীতে ইয়াৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ দখললৈ যোৱাত এইবাৰ তিনিচুকীয়া জিলা পৰিষদ একপ্ৰকাৰ বিৰোধী শূন্য হৈ পৰে। ইয়াৰে বিজেপি মিত্ৰজোঁটৰ অংশীদাৰী দল অগপৰ দখললৈ যায় পানীতোলা জিলা পৰিষদৰ আসনখন। আনহাতে জিলাখনৰ সাতখন আঞ্চলিক পঞ্চায়তৰ আটাইকেইখন আসনেই বিজেপি আৰু অগপই দখল কৰিবলৈ সক্ষম হ'য়। ডুমডুমা আৰু ডিগবৈ আঞ্চলিক পঞ্চায়তৰ ১৩ খন আসনৰ আটাইকেইখন বিজেপি প্ৰাৰ্থীয়ে দখল কৰে। মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ ১৩ খন আসনৰ ভিতৰত ১২ খন আসনত বিজেপিয়ে জয়লাভ কৰাৰ বিপৰীতে এখন আসনত অগপ প্ৰাৰ্থীয়ে জয়লাভ কৰে। মাকুম আঞ্চলিক পঞ্চায়তত বিজেপি আৰু অগপই ১৩ খন আসন লাভ কৰাৰ বিপৰীতে এখনকৈ আসনত কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। নৱগঠিত মাকুম বিধানসভা সমষ্টি (পানীতোলা জিলা পৰিষদৰ অন্তৰ্গত) ৰ বজালতলি আঞ্চলিক পঞ্চায়তত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী মেৰিলিন বৰা গগৈয়ে জয় লাভ কৰে। অজাপৰ প্ৰাৰ্থীগৰাকীয়ে অসম গণ পৰিষদৰ ৰবীন্দ্ৰ কুমাৰ সিংগক ৫৪ টা ভোটত পৰাস্ত কৰে। মেৰিলিন বৰা গগৈয়ে ২,০৬৯ টা ভোট লাভ কৰাৰ বিপৰীতে অগপৰ প্ৰাৰ্থীগৰাকীয়ে লাভ কৰে ২,০১৫ টা ভোট। ইটাখুলি আঞ্চলিক পঞ্চায়তত বিজেপিয়ে ৬ খন আসন লাভ কৰাৰ বিপৰীতে অগপই এখন আসন লাভ কৰে। শদিয়া আঞ্চলিক পঞ্চায়তত বিজেপিৰ প্ৰাৰ্থীয়ে ৮ খন আসন লাভ কৰাৰ বিপৰীতে অগপ, কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এখনকৈ আসন লাভ কৰে। ছেখোৱা আঞ্চলিক পঞ্চায়তত বিজেপিৰ প্ৰাৰ্থীয়ে ১১ খন আসন লাভ কৰাৰ বিপৰীতে অগপৰ প্ৰাৰ্থীয়ে দুখন আসনত জয়লাভ কৰে। জিলাখনৰ প্ৰায়বোৰ গাঁও পঞ্চায়তেতে বিজেপি-মিত্ৰজোঁট সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থীৰ পক্ষত জনাদেশ লাভ কৰিবলৈ সক্ষম হয়। তাৰ মাজতে আঞ্চলিক দল অসম জাতীয় পৰিষদে প্ৰথমবাৰৰ বাবে পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হৈয়ে তিনিচুকীয়া জিলাত শক্তিশালী আৰু সবল ৰূপত আত্মপ্ৰকাশ কৰাটোৱে এক বিশেষ ইংগিত বহন কৰিছে। দলটোৱে জিলাখনত আঞ্চলিক পঞ্চায়তৰ এখন আসনত জয়লাভ কৰাৰ বিপৰীতে দলটোৰ সমৰ্থিত ২৬ জনকৈ প্ৰাৰ্থীয়ে গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য হিচাপে জয়লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰে ১৬ জন ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত, যিটো সমষ্টিত ছবছৰীয়া অসম আন্দোলনৰ পটভূমিত ভূমিষ্ঠ হোৱা আঞ্চলিক দল অসম গণ পৰিষদৰ প্ৰাৰ্থী হিচাপে ১৯৯৬ আৰু ২০০১ চনত জয়ী হৈছিল সম্প্ৰতি 'কা' আন্দোলনৰ পটভূমিত ভূমিষ্ঠ হোৱা জাতীয়তাবাদী আঞ্চলিক দল অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্বত থকা ১২৬ নং শদিয়া বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, প্ৰাক্তন পৰ্যটন মন্ত্ৰী জগদীশ ভূঞাই। অজাপই শদিয়া বিধানসভা সমষ্টিৰ মাইথং গাঁও পঞ্চায়তৰ ৩ আৰু ১০ নং ৱাৰ্ডত, তালাপ গাঁও পঞ্চায়তৰ ৯ নং ৱাৰ্ডত, খো গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডত, ডাঙৰী গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত, ধলা-ধাদুম গাঁও পঞ্চায়তৰ ৩ আৰু ৭ নং ৱাৰ্ডত, আৰৈমূৰীয়া গাঁও পঞ্চায়তৰ ১, ৩ আৰু ৯ নং ৱাৰ্ডত, চুণপোৰা গাঁও পঞ্চায়তৰ ৯ নং ৱাৰ্ডত, কুণ্ডিল গাঁও পঞ্চায়তৰ ৮ নং ৱাৰ্ডত, হলৌগাঁও গাঁও পঞ্চায়তৰ ২, ৮ আৰু ৯ নং ৱাৰ্ডত জয়ী হোৱাৰ সমান্তৰালকৈ ডিগবৈ সমষ্টিৰ অন্তৰ্গত টিঙনা গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডত, টিংৰাই গাঁও পঞ্চায়তৰ ৫ নং ৱাৰ্ডত, বৰহাপজান গাঁও পঞ্চায়তৰ ৪ নং ৱাৰ্ডত, কৈলাসপুৰ গাঁও পঞ্চায়তৰ ২ আৰু ১০ নং ৱাৰ্ডত, তিনিচুকীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কাচমাৰী গাঁও পঞ্চায়তৰ ১০ নং ৱাৰ্ডত, নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত লক্ষীপথাৰ গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডত, ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত গাভৰুভেঁটি গাঁও পঞ্চায়তৰ ৬ নং ৱাৰ্ডত, মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত ইনথেম গাঁও পঞ্চায়তৰ ১ নং ৱাৰ্ডত, পুবণিপুখুৰী গাঁও পঞ্চায়তৰ ১ আৰু ৩ নং ৱাৰ্ডত বিজয় সুনিশ্চিত কৰে। দলৰ এই সফলতাত সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞা যথেষ্ট উৎসাহিত হোৱা পৰিলক্ষিত হৈছে। দলটোৰ সভাপতি আৰু সাধাৰণ সম্পাদক দুয়োয়ে নিজৰ গৃহজিলা তিনিচুকীয়াত দলটোৰ প্ৰথম পঞ্চায়ত নিৰ্বাচনত ২৬ গৰাকী ৱাৰ্ড সদস্য আৰু ১ গৰাকী আঞ্চলিক পঞ্চায়তৰ সদস্য জয়ী কৰাই অনাত সফল হোৱালৈ চাই '২৬ ৰ বিধানসভা নিৰ্বাচনত অসম জাতীয় পৰিষদে জিলাখনত এক শক্তিশালী ৰূপত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সক্ষম হব বুলি ভবাৰ যথেষ্ট থল আছে।



বৰঝাৰ বিমানবন্দৰৰ সমীপৰ আজাৰাত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী, ফটোঃ ই-সংবাদ, আজাৰা

## '২৬ৰ নিৰ্বাচনলৈ কম্পমান বিৰোধী দলপতি দেৱব্ৰত শইকীয়া

# নাজিৰাত গাঁৱে গাঁৱে বিজেপিৰ বিজয়োল্লাস

**ই-সংবাদ, নাজিৰা, ১২ মে':** ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনা কালি পুৱা ৮ বজাৰ পৰা জিলা আৰু সমজিলাৰ কেন্দ্ৰসমূহত চলি ৰোৱাৰ সমান্তৰালভাৱে ৯৭ নং নাজিৰা বিধানসভা সমষ্টিৰ ভোট গণনা নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ত মুঠ ২৭খন গাঁও পঞ্চায়তৰ ভোট গণনা আজি বিয়লি ৪ বজাত সমাপ্তি ঘটে। সমষ্টিটোৰ আমগুৰি, আঠখেল, নাজিৰা আৰু চুকাফা জিলা শেষাংশ ৭ পৃষ্ঠাত

# নিৰ্দলীয়ক ভোট নিদিবলৈ বিজেপিয়ে জনোৱা আহ্বান ওলোটা হ'ল ঝাৰোবড়ীত

**ই-সংবাদ, মিৰ্জা, ১২ মে':** যুদ্ধৰ আৰম্ভ হয় আৰু যুদ্ধৰ এদিন শেষো হয়। সৰ্বসাধাৰণ ৰাইজে চাই থাকে যুদ্ধ। শেষ যুদ্ধত ৰাইজৰ জয় হয়। এই পৃথিৱীত যুগে যুগে চলি অহা অত্যাচাৰ, দাদাগিৰি, অসভ্য লোকৰ শাসন-শোষণ জনতাৰ ৰায়ত মষিমূৰ হৈ আহিছে। জনতাৰ ৰায় শাসক শোষকে মানি লয় বা নলয় সেয়া তেওঁলোকৰ কথা। প্ৰত্যেকে প্ৰত্যেকক চাই আছে। কোন সঠিক কোন বেঠিক। কি শুদ্ধ কি অশুদ্ধ। দুৰাচাৰী তথা স্বাৰ্থান্বেষী লোকৰ সান্দহ খোৱা বালি তল গ'লেই নাৰী বা অশ্লীল শেষাংশ ৮ পৃষ্ঠাত

# বিজেপিৰ দখলত দৰং জিলা পৰিষদ দলগাঁৱত উছন এআইইউডিএফ

**ই-সংবাদ বিশেষ, মঙলদৈ, ১২ মে':** বহু জল্পনা-কল্পনাৰ অন্তত দৰং জিলা পৰিষদ গঠনৰ দিশে অগ্ৰসৰ হৈছে বিজেপি দল। দৰং জিলাৰ ১২ খন জিলা পৰিষদীয় সমষ্টিৰ ভিতৰত বিজেপি আৰু অসম গণ পৰিষদে সাতখন আসন লাভ কৰাৰ শেষাংশ ৯ পৃষ্ঠাত

# মন্দিয়া বিধানসভাত কংগ্ৰেছৰ সন্তুষজনক ফলাফল, ৪টা জিলা পৰিষদৰ ৩টাই গ'ল কংগ্ৰেছৰ দখললৈ

**ই-সংবাদ, কলগাছিয়া, ১২ মে':** অসমত অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনত নামনি অসমৰ অধিকাংশ ঠাইত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ মাজত মূল যুঁজ হৈছে যদিও বৰপেটা জিলাত এ আই ইউ ডি এফে সন্তোষজনক আসন লাভ কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখযোগ্য যে বৰপেটা জিলাখনত ১০১৫৭৬৯ গৰাকী ভোটাৰে ৩৫৯৩ জন শেষাংশ ১০ পৃষ্ঠাত

# গোলকগঞ্জত চাৰিটা জিলা পৰিষদৰ তিনিটাই বিজেপিৰ দখলত

**ই-সংবাদ, গোলকগঞ্জ, ১২ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ চিলাৰায় মহাবিদ্যালয়ত প্ৰথমবাৰ অনুষ্ঠিত পঞ্চায়তৰ ভোট গণনাত বিজেপি অগপ মিত্ৰজোঁটে বৃহৎ আজি বৃহৎ সফলতা লাভ কৰে। শেষাংশ ৮ পৃষ্ঠাত

# বুদ্ধ পূৰ্ণিমা উপলক্ষে উদুলি-মুদুলি পৰিৱেশ বটদ্ৰৱা থানত

**ই-সংবাদ, বেৰেজীয়া, ১২ মে':** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই প্ৰৱৰ্তন কৰা সকামী সেৱা হৈছে পালনাম। সেয়ে, পূৰ্বৰ বছৰবোৰৰ দৰেই এইবাৰো ৩৬৯ বছৰীয়া ঐতিহ্যময় পৰম্পৰা ৰক্ষা কৰি সোমবাৰে পবিত্ৰ বৌদ্ধ পূৰ্ণিমাৰ শেষাংশ ১০ পৃষ্ঠাত

# বৰ্ষীয়ান বামপন্থী নেতা কমৰেড নুৰুল ইছলাম চৌধুৰীৰ মৃত্যু

**ই-সংবাদ, মোৰাঝাৰ, ১২ মে':** বৰ্ষীয়ান বামপন্থী নেতা, বিশিষ্ট সমাজসেৱক, চি পি আইৰ হোজাই জিলা সমিতিৰ সম্পাদক কমৰেড নুৰুল ইছলাম চৌধুৰীৰ আজি পুৱা ৬ বজাত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। প্ৰবীণ নেতাগৰাকীৰ ১০ পৃষ্ঠাত

# বিয়া খাবলৈ আহি এটি চাৰিবছৰীয়া শিশুৰ সলিল সমাধি

**ই-সংবাদ, শুৱালকুছি, ১২ মে':** কামৰূপৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত আদাবৈত আজি দুপৰীয়া এটি চাৰিবছৰীয়া শিশু বাৰীৰ পিছফালৰ পুখুৰীত পৰি সলিল সমাধি হোৱা ঘটনাই শুৱালকুছি অঞ্চলত শোঁকৰ ছা পৰিছে। প্ৰাপ্ত তথ্য মতে, শেষাংশ ৯ পৃষ্ঠাত

# বিজেপিৰ আভ্যন্তৰীণ কন্দলত পৰাজিত বহু দলীয় প্ৰাৰ্থী

**ই-সংবাদ, মঙলদৈ, ১২ মে':** ১২ খন জিলা পৰিষদ আৰু ৭৫ খন গাঁও পঞ্চায়তৰে গঠিত দৰং জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ বিজেপি দলে বৃহৎ বিজয় সাব্যস্ত কৰিছে। জিলাখনৰ ৬ টা জিলা পৰিষদ সমষ্টি বিজেপি দলে দখল কৰিছে আৰু এটা মিত্ৰ দল অগপই জয়লাভ কৰিছে। সেই অনুসৰি মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত হাউলী জিলা পৰিষদত বিজেপিৰ শেৱালি গোস্বামী কলিতা, চপাইত অনিতা ৰাজবংশী আৰু মোৱামাৰি জিলা পৰিষদত কংগ্ৰেছৰ মুক্তা দেৱী মণ্ডলে জয়লাভ কৰিছে। আনহাতে ৰঙামাটি জিলা পৰিষদৰ পৰা বিজেপিৰ বিতোপন ডেকাই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আনহাতে ছিপাঝাৰ বিধানসভা সমষ্টিৰ ৪ টা শেষাংশ ৯ পৃষ্ঠাত

## নিৰংকুশ বিজয়ৰ পিছতো সন্তুষ্ট নহয় দলীয় কৰ্মী

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নাজিৰাত গাঁৱে গাঁৱে বিজেপিৰ

পৰিষদত এখনতো কংগ্ৰেছ দলে দখল কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে চাৰিওখন জিলা পৰিষদ বিজেপিৰ দখললৈ যোৱাত কংগ্ৰেছৰ দুৰ্গ ৰূপে খ্যাত নাজিৰা সমষ্টি অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ দখলত আছে যদিও পঞ্চায়ত নিৰ্বাচনৰ ফলাফলে কংগ্ৰেছ দলক মোক্ষম আঘাট হনাই নহয় ২০২৬ চনৰ বিধান সভা নিৰ্বাচনলৈ কম্পমান হৈ পৰিছে সমষ্টিৰ কংগ্ৰেছৰ নেতা-কৰ্মী তথা অসম বিধান সভাৰ কংগ্ৰেছ বিধায়িনী দলৰ দলপতি দেৱব্ৰত শইকীয়া। তদুপৰি ২৭ খন গাঁও পঞ্চায়তৰ ২৭ জন আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ ভিতৰত মাত্ৰ আমগুৰিৰ লালিমচাপৰি আঞ্চলিক পঞ্চায়তৰ সদস্যজনহে কংগ্ৰেছ দলৰ পৰা বিজয়ী হোৱাৰ বিপৰীতে ২৬ জন আঞ্চলিক সদস্য পদতেই শাসকীয় মিত্ৰজোঁটে দখল কৰিবলৈ সক্ষম হয়। সমষ্টিটোৰ শিমলুগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ প্ৰাঞ্জল শইকীয়াই ১৫০৪ টা ভোট লাভ কৰে আৰু তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ যোগেন কোঁৱৰে ১৪৮৬ ভোটহে লাভ কৰিবলৈ সক্ষম হয়। ফুলপানী বৰুৱা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত অগপৰ ৰশ্মিৰেখা বৰুৱা বৰগোহাঁয়ে ২৩৪২ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ ৰুক্মিণী বুঢ়াগোহাঁয়ে ১৫৯০ টা ভোট লাভ কৰে। বৰবৰুৱা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ হেমা হাটীমুৰীয়া বৰগোহাঁয়ে ১৮৩১ টা ভোট পাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ নিতুমণি বৰুৱা গগৈয়ে ১৫৫১ টা ভোট লাভ কৰে। নামতি দ'ল গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ বিনোদ গগৈয়ে ১৪৪৭টা ভোট লাভ কৰে। তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বি অ গ প'ৰ ময়ূৰী গুৰিঙে ৮৮৩ টা ভোট লাভ কৰে। ৰহদৈ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজে পিৰ পৰিণীতা বৰুৱা শইকীয়াই ১২০৭ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ স্মৃতা চেঙধৰাই ৫৭৮ টা ভোট লাভ কৰে আৰু নিৰ্দলীয় মনালিছা বৰুৱা গগৈয়ে ৭০৮ টা ভোট লাভ কৰাত পৰিনীতা বৰুৱা শইকীয়াই ৪৯৯ টা ভোটৰ ব্যৱধানত জয়লাভ কৰে। বৰাহীবাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ পাৰুল বৰুৱাই নিকটতম প্ৰাৰ্থী কংগ্ৰেছৰ মায়াৰাণী বৰুৱা গগৈক ৫৩৭ ভোটৰ ব্যৱধানত পৰাজিত কৰে। বিজেপিৰ পাৰুল বৰুৱাই ১৭৯২ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ মায়াৰাণী বৰুৱা গগৈয়ে ১২৫৫ টা ভোট লাভ কৰে। জয়মতী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ দিলীপ বৰগোহাঁয়ে ২৩৩৬ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ প্ৰৱীণ কুমাৰ বৰগোহাঁইক ৭১২ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে ।ৰজাভেটা গাঁও পঞ্চায়তৰ বিজেপিৰ আশাবন্তি ভদ্ৰ তিৰ্কীয়ে ২৯৭৫ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদণ্ডি কংগ্ৰেছৰ পবিত্ৰ পানতাঁতীয়ে ২৪৭৫ টা ভোট লাভ কৰাত ৫০০ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। পিয়লি ফুকন গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ জিতেন ফুকনে ১৪৪১ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী চি পি আইৰ নমিতা পানীফুকন গগৈক ৬২৬ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। চি পি আইৰ প্ৰাৰ্থীগৰাকীয়ে মুঠ ৮১৫ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। খটখটি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ মঞ্জু গগৈয়ে ২৮২০ টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ পূৰ্ণিমা মাৰাক ৭৩৮ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। মাৰাই ২০৮২টা ভোট লাভ কৰে। লালিমচাপৰি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছৰ জীৱন ফুকনে বি জে পিৰ ববিতা গগৈক ২০৯ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে ১৩৫৫ টা ভোট লাভ কৰাৰ বিপৰীতে বি জে পিৰ প্ৰাৰ্থী গৰাকীয়ে ১১৪৬ টা ভোট লাভ কৰে। বাণ্টুং গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ নয়নমণি ফুকন ৰাজখোৱাই ২৪৭৬ টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী মিলাক্ষী কোঁৱৰক ৪৫৯ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। কংগ্ৰেছৰ মিনাক্ষী কোঁৱৰে ২০১৭ টা ভোট লাভ কৰে। পানগড়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ সুৰভী দাস গোৱালাই কংগ্ৰেছৰ জোনমণি মলিক চুতীয়াক ৯৩ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। বি জে পিৰ প্ৰাৰ্থী গৰাকীয়ে ১৩৩৯ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থী গৰাকীয়ে ১২৪৬ টা ভোট লাভ কৰে। চুকাফা গাঁও পঞ্চায়তৰ বি জে পিৰ প্ৰকাশ মাউতে ২৯৮১ টা ভোট লাভ কৰি কংগ্ৰেছৰ মানস বৰগোহাঁইক ৬১১ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। মানসে ২৩৭০ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। বৰফুকন গাওঁ পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ জ্যোতিকা গগৈয়ে অ গ প'ৰ লাৱণ্য গগৈক ২৯৯ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। বি জে পিৰ প্ৰাৰ্থী গৰাকীয়ে ২২৮০ টা ভোট লাভ কৰাৰ বিপৰীতে অ গ প'ৰ প্ৰাৰ্থী গৰাকীয়ে ১৯৮১ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। নপাম বাৰুৰতী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ অজয় বৰুৱাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ বেণীমাধৱ গগৈক ৩৮৯ টা ভোটত পৰাস্ত কৰে। বি জে পিৰ প্ৰাৰ্থী গৰাকীয়ে ২৪৮১ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থী গৰাকীয়ে ২০৯২ টা ভোট লাভ কৰে। বৰবাম গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ তনয় বাক্তয়ে ১১১৮ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ৰঞ্জিত ফুলমালীক ৩২৬ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। ৰঞ্জিতে ৭৯২ টা ভোট লাভ কৰে। লেঙিবৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ দুলাল তাচাই ১৭৩৩ টা ভোট লাভ কৰি কংগ্ৰেছৰ লখন মিৰ্ধাক ২৬৮ টা ভোটত পৰাস্ত কৰে। লখনে ১৪৬৫ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। গেলেকী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ দীপামণি কেওটে কংগ্ৰেছৰ অৰুণা মুণ্ডা গোৱালাক ৫৪৩ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। দীপামণিয়ে ১৯১৪ টা ভোট লাভ কৰাৰ বিপৰীতে অৰুণাই ১৩৭১ টা ভোট লাভ কৰে। মেকীপুৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ দেবেন ৰবিদাসে ৩২৪৫ টা ভোট লাভ কৰি কংগ্ৰেছৰ নিকু বাক্তিক ৯০৫ টা ভোটত পৰাজিত কৰে। নিকুৱে ২৩৪০ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। আমগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ কৰবী কেওটে শোনিতা কুমাৰক ৯৩৩ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। কৰবীয়ে ২৬৪৬ টা ভোট লাভ কৰাৰ বিপৰীতে শোনিতাই ১৭১৩ টা ভোট লাভ কৰে। ৰমণী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ দীপাঞ্জলি গগৈয়ে ২১৫০ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ দীপামণি গগৈক ৬২০ টা ভোটত পৰাস্ত কৰে। দীপামণিয়ে ১৫৩০ টা ভোট লাভ কৰে। ন-পুখুৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ লংকেশ্বৰ হাতীমুৰীয়াই কংগ্ৰেছৰ বাবুল কৈৰীক ৭৯০ টা ভোটত পৰাজিত কৰে। বাবুলে ১৬৯৮ টা ভোট লাভ কৰে। নাজিৰা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বি জে পিৰ ভাগ্যশ্ৰী গগৈয়ে ২৫৫৯ টা ভোট লাভ কৰি কংগ্ৰেছৰ চঞ্চলা সন্দিকৈক ১০৮৪ ভোটৰ ব্যৱধানত পৰাস্ত কৰে। চঞ্চলাই ১৪৭৫ টা ভোট লাভ কৰে। আনহাতে সমষ্টিটোৰ আমগুৰি, আঠখেল, নাজিৰা আৰু চুকাফা জিলা পৰিষদৰ চাৰিওখন বি জে পি দলৰ দখলত। নাজিৰা জিলা পৰিষদৰ বি জে পিৰ মামু পাটৰ গগৈয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ মিনাক্ষী বৰগোহাঁইক ৬১৪৪ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। বি জে পিৰ মামু পাটৰ গগৈয়ে সৰ্বমুঠ ১৬৪৫২ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ মিনাক্ষী বৰগোহাঁয়ে ১০৩০৮ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। আঠখেল জিলা পৰিষদত বি জে পিৰ মৌচুমী গগৈয়ে কংগ্ৰেছৰ মনালিছা বৰুৱাক ৩৪৪৪ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। মৌচুমী গগৈয়ে ১৩২৭২ টা ভোট লাভ কৰাৰ বিপৰীতে মনালিছা বৰুৱাই ৯৮২৮ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। চুকাফা জিলা পৰিষদৰ আঞ্চলিক সদস্য পদত বি জে পিৰ ৰুবী সন্দিকৈ বৰাই ১৫৬৫ টা ভোট লাভ কৰি তেখেতৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ টুলুমণি বৰা কোঁৱৰক ৩৭০২ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। টুলুমণি বৰা কোঁৱৰে ১১৯৪৯ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। আমগুৰি জিলা পৰিষদৰ বি জি পিৰ জিনিতা চাহুৰে ১২১০৩ টা ভোট লাভ কৰি তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ সৰুমন মেহৰাক ৩৪৮১ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। কংগ্ৰেছৰ সৰুমন মেহৰাই ৮৬২৩ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। সমষ্টিটোৰ আঞ্চলিক পৰিষদ আৰু জিলা পৰিষদত কংগ্ৰেছ দল শাসকীয় দলৰ লগত শোচনীয়ভাৱে পৰাজয় হোৱাৰ উপৰি পঞ্চায়তৰ ৱাৰ্ডসমূহতো পৰাজয় হৈছে কংগ্ৰেছ সমৰ্থীত প্ৰাৰ্থী। প্ৰতিটো পঞ্চায়তে দহটা ৱাৰ্ডৰ ভিতৰত তিনি-চাৰিটাকৈহে জয়ী হোৱাটোৱে অনাগত নিৰ্বাচনত কংগ্ৰেছ দল তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়ালৈ প্ৰত্যাহবান অহাটো নিশ্চিত। কালি পুৱা ৮ বজাৰ শেষাংশ ৮ পৃষ্ঠাত

■ সপ্তম পৃষ্ঠাৰ পৰা...

# নাজিৰাত গাঁৱে গাঁৱে বিজেপিৰ

পৰা নাজিৰা সমজিলা প্ৰশাসনৰ কাৰ্য্যালয়ৰ চৌহদত সাংবাদিকসকলৰ সৈতে নাজিৰা সমজিলা জনসংযোগ বিষয়াই সহযোগ কৰি ৰয় যদিও এক পৰিকল্পিত ৰূপত প্ৰতি ৰাউণ্ডৰ ভোটৰ অগ্ৰগতিৰ টোকা এটিও প্ৰস্তুত কৰি প্ৰদান কৰাত বিষয়াগৰাকী পিছ হুঁহকি ৰয়। দিনৰ প্ৰায় ১১ বজাৰ পৰাই শিৱসাগৰৰপৰা নাজিৰাৰ ফলাফলসমূহ বিভিন্ন সংবাদ মাধ্যমত প্ৰচাৰ হ'বলৈ ধৰাত ই সকলোকে আচৰিত কৰি তোলে। সাংবাদিক সকলে থলীতে জনসংযোগ বিষয়াৰ পৰা সকলো বাতৰি লাভ কৰিবলৈ খাপপিটি বৈ থকা অৱস্থাত সমজিলা প্ৰশাসনৰ কঠোৰ স্থিতি আৰু প্ৰক্ৰিয়া অত্যন্ত মন্থৰ হৈ পৰাৰ বাবে কোনো ফলাফল থলীতে সমবেত হৈ ৰোৱা সাংবাদিকসকলক দিবলৈ বাৰে বাৰে অপাৰগতা প্ৰকাশ কৰে জনসংযোগ বিষয়াই। ফলত বিয়লি তিনি বজাৰ পিছত প্ৰথমটো ফলাফলৰ টোকা নাজিৰাৰ সাংবাদিকৰ হাতত তুলি দিয়া হয়। থলীতে থাকি বিভাগীয় নীতি-নিয়মলৈ বাট চাই ৰোৱা সাংবাদিকক চেৰাই গৈ শিৱসাগৰত নাজিৰাৰ ফলাফল কেনেকৈ ১১ বজাতে প্ৰকাশ কৰাটো সম্ভৱ হ'ল? এই ক্ষেত্ৰত নাজিৰাৰ সমজিলা প্ৰশাসনক অনুসন্ধান কৰিবলৈ আহ্বান জনাইছে সাংবাদিকসকলে। ইফালে প্ৰশাসনে কঠোৰ দৃষ্টিভংগী প্ৰদৰ্শন কৰাৰ সময়ত সাংবাদিকসকলক নিজ নিজ মিডিয়া হাউছৰ পৰা নিউজ আপডেট বিচৰাৰ সময়ত দিব নোৱাৰাৰ বাবে তেওঁলোক বিপাঙত পৰিবলগীয়া হয়। এক পৰিকল্পিত ৰূপত সাংবাদিক সকলক ফলাফলৰ টোকা প্ৰদানৰ ব্যৱস্থা নোহোৱা তথা পূৰ্বৰ অভিজ্ঞতাৰে প্ৰশাসন আগবাঢ়িব পৰাকৈ বিষয়া-কৰ্মচাৰীৰ সৈতে যোগসূত্ৰ নাই বুলি সাংবাদিকসকলে প্ৰশাসনক সমালোচনা কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গোলকগঞ্জত চাৰিটা জিলা পৰিষদৰ

গোলকগঞ্জ সমষ্টিৰ চাৰিটা জিলা পৰিষদৰ তিনিটাতে বিজেপিৰ প্ৰাৰ্থী জয়লাভ কৰাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী এটাত জয়লাভ কৰে। আগমনি-হালাকুৰা জিলা পৰিষদ এলেকাত বিজেপিৰ প্ৰাৰ্থী কল্যাণী ৰায় শিকদাৰ ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাত লাভ কৰিছিল। ৰায়ডাক জিলা পৰিষদত কংগ্ৰেছৰ এছাহক আলীয়ে নিকটতম বিজেপিৰ প্ৰাৰ্থী সহিদুৰ ৰহমানক ৩১৬৬ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। গোলকগঞ্জৰ বিজেপিৰ দেবব্ৰত ৰায়ে নিকটতম কংগ্ৰেছৰ প্ৰাৰ্থী অশোক ভকতক চাৰি সহস্ৰাধিক ভোটত পৰাজিত কৰে আৰু গংগাধৰ জিলা পৰিষদৰ মালতীৰাণী ৰায়ে কংগ্ৰেছৰ খঞ্জনা ৰায়ক ৪৫০০ ভোটত পৰাজিত কৰে। গোলকগঞ্জ বিধানসভা সমষ্টিৰ ২১ টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ভিতৰত বিজেপি ১১ টা অগপ  ২টা কংগ্ৰেছৰ ছটা আৰু দুটাত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হয়। ৰায়ডাক জিলা পৰিষদ এলেকাৰ ভামডাঙা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য হিচাপে কংগ্ৰেছৰ তহমিনা আহমেদ, ঘোগাৰপাৰ ছোটোগুমা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য হিচাপে কংগ্ৰেছৰ আব্দুল মোতালেব মণ্ডল, পোকালাগীত কংগ্ৰেছৰ বাপ্পী ৰহমান আৰু ৰণপাগলীৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী ফাতেমা বিবি জয়লাভ কৰে। আগমনি হালাকুৰা জিলা পৰিষদ এলেকাৰ আগমনি আঞ্চলিক পঞ্চায়তৰ সদস্য পদত বিজেপিৰ প্ৰাৰ্থী সংযুক্তা বাগচী বিনা প্ৰতিদন্দ্বিতাত জয়লাভ কৰে। হালাকুৰাত বিজেপিৰ ভাৰতী বালা ৰায় বিনা প্ৰতিদন্দ্বিতাত জয়লাভ কৰে। ছাগলীয়াত বিজেপিৰ ভীষ্ম নাৰায়ণ সৰকাৰ, শেৰনগৰত বিজেপিৰ চন্দনা বৰ্মন, আৰু শিমলাবাৰী গাঁও পঞ্চায়তৰ  আঞ্চলিক সদস্য হিচাপে বিজেপিৰ সঞ্জয় ৰায় জয়লাভ কৰে। গংগাধৰ জিলা পৰিষদ এলেকাৰ বিচনদৈ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ পম্পী ৰায়, হৰিৰহাট পঞ্চায়তৰ বিজেপিৰ প্ৰসেনজিত ৰায়, কাচখানা পঞ্চায়তৰ কংগ্ৰেছৰ সমীৰ প্ৰধানী, মটেৰঝাৰ ৰ অগপৰ প্ৰাৰ্থী সঞ্জয় কুমাৰ ৰায় অক্সিগুৰি পঞ্চায়তৰ অগপৰ পল্লৱী অধিকাৰী আৰু তামাৰহাট গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছৰ ৰূপম অধিকাৰী জয়লাভ কৰে। আনহাতে গোলকগঞ্জ জিলা পৰিষদ এলেকাত বিষখোৱা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ লিপিকা ৰায় বিনা প্ৰতিদন্দ্বিতাত জয়লাভ কৰিছিল। ঢেপঢেপী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ গৌৰাঙ্গ চন্দ্ৰ ৰায়, দুমৰদহত নিৰ্দলীয় প্ৰাৰ্থী ৰেহেনা খাতুন, গাইখোৱাত বিজেপিৰ চিত্ৰা দাস ৰায়, লক্ষীমাৰীত কংগ্ৰেছৰ মামনী ৰায় আৰু সত্ৰশাল গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজেপিৰ ববি ৰায় জয়লাভ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নিৰ্দলীয়ক ভোট নিদিবলৈ বিজেপিয়ে

বাক্যবাণৰ আশ্ৰয় লয়। কোনে কাক সমৰ্থন কৰিছে সেয়া ডাঙৰ কথা নহয়। কেনে মানুহক কোন শ্ৰেণীৰ মানুহে সমৰ্থন কৰিছে। কি শ্ৰেণীৰ মানুহে কি শ্ৰেণীৰ মানুহক ভাল পাইছে সেয়াহে ডাঙৰ কথা। এইবাৰ আহো পঞ্চায়ত নিৰ্বাচনৰ প্ৰসংগলৈ। পলাশবাৰী সমষ্টিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বাঢ়ন্তি মণিয়েৰী পাৰাকুছি গাঁও পঞ্চায়তত ভোটাৰ ৰাইজে শাসকৰ ধনবল বাহুবল আৰু ৰণকৌশলক পৰাভূত কৰা ঘটনা সঁচাকৈয়ে চিন্তনীয়। ক'ব পাৰি এই ৰায় জনতাৰ, এই ৰায় ক্ষোভৰ। অঞ্চলটোৰ বিভিন্ন দল-সংগঠন, সচেতন লোক, বৌদ্ধিক মহল, নেতৃত্বৰ প্ৰতি ক্ষোভিত একাংশ বিজেপিৰ সমৰ্থিত নেতা-পালিনেতাৰ সমৰ্থিত ধনঞ্জয় দাসৰ আৰম্ভণিৰ পৰাই জয়ৰ সম্ভাৱনীয়তাৰ দৌৰত আছিল। আনকি একাংশ প্ৰভাৱশালী বিজেপিৰ কৰ্মীয়ে কৈছিল- এইবাৰ নিৰ্দলীয় প্ৰাৰ্থী ধনঞ্জয় দাস (ধন) ক জয়ী কৰাৰ মূলতে থাকিব অঞ্চলটোৰ মানুহৰ দ'ম আৰু দাম। সেই কথা ৰাখিলে অঞ্চলটোৰ ৰাইজে। গুৰুত্বপূৰ্ণ কথা এসময়ৰ প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতাৰ সৌঁহাতস্বৰূপ তথা দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামীয়ে ৰঙামাটিত অনুষ্ঠিত এখন সভাত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থকা সময়ত ৰাজনৈতিক তুষ্টিকৰণ চিন্তাৰে বক্তব্য ৰাখি নিৰ্দলীয়ক ভোট দিয়াৰ কাম নাই বুলি কৈছিল। কিন্তু প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতাই নিৰ্দলীয়ভাৱে ভোট খেলাৰ সময়ত এইজন অঞ্জন গোস্বামীয়ে টেটুফালি প্ৰণৱ কলিতাক ভোট দিয়াৰ আহ্বান জনাইছিল। আজি আৰু নিৰ্দলীয়ৰ কাম নাই বুলি তেওঁ ৰাইজক আহ্বান জনোৱাতো ইতিমধ্যেই এক স্বাৰ্থনিহিত বিষয় বুলি ভোটাৰ ৰাইজে বুজি লৈছে। এইবেলি যে প্ৰাৰ্থী নিৰ্দলীয়কে দিয়া হৈছিল সেই কথাও পাহৰিলে। যাৰবাবে এই ভাষণটো ওলোটা হৈ অৱশেষত নিজৰ দলৰে বৃহৎ ক্ষতি হ'ল। জিকিলে তেওঁৰ ঘৰৰ কাষৰে নিৰ্দলীয় প্ৰাৰ্থী ধনঞ্জয়। হাৰিলে বিজেপিৰ প্ৰাৰ্থী কৌশিক তালুকদাৰ। উল্লেখ যে,ৰাজনীতিত যে ত্যাগ থাকে সেই কথা অঞ্জন গোস্বামীহঁতে পাহৰি গৈছে। তেওঁলোক মানুহ চিনাত বিফল হৈছে। মানুহে এবাৰেই জীৱন পায় তাতেই কিমান যে নিকৃষ্ট ৰাজনীতি। অন্যায়,অনিয়ম দেখিও নিমাত হৈ থকাৰ এয়া ফল বুলি ৰাইজে মত প্ৰকাশ কৰিছে। যাৰবাবে পলাশবাৰীৰ তিনিখন নিৰ্বাচনী সভালৈ অহা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ভাষণেও কাম নিদিলে বুলি চৰ্চা চলিছে।কথা হ'ল ৰাজনীতি ইমান সহজ বিষয়ো নহয় যে কেৱল ধনবল আৰু বাহুবলেই জয়ৰ বাট মোকোলাই দিব। ভদ্ৰ আচৰণো যে নিৰ্বাচন জিকাৰ এটি বাট হ'ব পাৰে, ঠিক সেয়াই প্ৰমাণ কৰিলে ধনঞ্জয়ৰ জয়ৰ ঘটনাই।সকলোৱে মনত ৰখা ভাল ক্ষমতা,বাহুবল অস্থায়ী।ভাল কাম,সঠিক চিন্তা,মানুহৰ ভদ্ৰতা,শিষ্টাচাৰ স্থায়ী। ৰাজনীতিত মানুহ,সমাজ ভালপাব জনাটোহে দক্ষতা। সমাজ বিচ্ছিন্ন হৈ মানুহ আৰু সমাজক কেৱল ধনেৰে জুখিব গ'লেই জীৱনৰ পৰাজয় নিশ্চিত। তাতোকৈ গুৰুত্বপূৰ্ণ কথা এই পঞ্চায়তখনত বিজেপিৰ সকলো ৰথী মহাৰথীৰ জন্মঠাই। অথচ বহুতৰ পৰাজয়। ক'ব পাৰি বিজেপিৰ আভ্যন্তৰীণ কন্দল,প্ৰাৰ্থী বাচনিৰ বিফলতা। আনহাতে বিৰোধীৰ ঐক্যবদ্ধ প্ৰচেষ্টা জোৰদাৰ নোহাৱাৰ বাবেই কেইবাজনো প্ৰাৰ্থীয়ে জয়ী হোৱাত কেণা লাগে। কথা যে কুমজেলেকুৱাৰ ঠেং বেছি, কিন্তু তাৰ গতি মন্থৰ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিয়া খাবলৈ আহি এটি চাৰিবছৰীয়া

শুৱালকুছি আদাবৈ নিবাসী দ্বিজেন শৰ্মাৰ ঘৰত চাৰি দিন আগতে নলবাৰীৰ বুদ্ৰকুছি নিবাসী জয়ন্ত শৰ্মাই পত্নী জোনমণি দেৱী আৰু একমাত্ৰ সন্তানসহ শুৱালকুছি আদাবৈত আত্মীয়ৰ ঘৰলৈ বিয়া খাবলৈ আহিছিল। বিয়াৰ চাৰি দিনৰ পিছত আজি নিজ গৃহ নলবাৰীলৈ যাবলৈ ওলোৱাৰ সময়তে শিশুটিৰ শৌচ কৰা লগা বুলি মাকক কয়। পিছত মাতৃয়ে বাৰীৰ পিছফালে থকা চোতালত শৌচ কৰিবলৈ দি ঘৰলৈ আহে। কিছু সময়ৰ পিছত মাতৃয়ে পিছফালে গৈ সন্তান নেদেখি বহু সময় বিচাৰ-খোঁচাৰ কৰি বিচাৰি নোপোৱাত হাঁহাকাৰ লাগে। শিশুটিৰ আত্মীয় তথা ওচৰ-চুবুৰীয়াই বাৰীৰ পিছত মেটেকাৰে ভৰি থকা এটা পুখুৰীত বিচাৰি চোৱাত শিশুটি উদ্ধাৰ হয়। ততাতৈয়াকৈ শিশুটিক শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত চিকিৎসালয়লৈ ভৰ্ত্তি কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পিছত শুৱালকুছি আৰক্ষী উপস্থিত হৈ শিশুটিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে। স্থানীয় ৰাইজে শিশুটি হঠাতে পুখুৰীত পিছলি পৰি সলিল সমাধি ঘটে বুলি সন্দেহ কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দলগাঁৱত উছন এআইইউডিএফ

বিপৰীতে কংগ্ৰেছ দলে চাৰিখন আৰু ৰাইজৰ দলে এখন আসন লাভ কৰে। দৰং জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁৱৰ প্ৰতিটোতেই চাৰিটাকৈ জিলা পৰিষদীয় সমষ্টি আছে। ইয়াৰে আজি বিয়লি ভোটগণনাৰ অন্তত ওলোৱা ফলাফল অনুসৰি ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দেওমৰনৈ-টেঙাবাৰী জিলা পৰিষদীয় সমষ্টি আৰু দুনী-পাথৰিঘাট জিলা পৰিষদীয় সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী জয়ী হোৱাৰ লগতে বৰদৌলগুৰী-দুমুনিচকী জিলা পৰিষদীয় সমষ্টিত বিজেপিৰ মিত্ৰদল অসম গণ পৰিষদৰ প্ৰাৰ্থী জয়ী হৈছে। আনহাতে হাজৰিকাপাৰা-কুৰুৱা জিলা পৰিষদীয় সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী গৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাত সমষ্টিটোৰ চাৰিটা পৰিষদীয় সমষ্টি বিজেপি মিত্ৰজোঁটৰ হাতলৈ যায়। মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদীয় সমষ্টিৰ ভিতৰত ৰঙামাটি পৰিষদীয় সমষ্টিটোত বিজেপি প্ৰাৰ্থীগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ লগতে ভোট যুদ্ধত চপাই আৰু হাউলী জিলা পৰিষদীয় সমষ্টিত বিজেপি প্ৰাৰ্থী জয়ী হোৱাৰ লগতে সংখ্যালঘু অধ্যুষিত মোৰামাৰী জিলা পৰিষদ সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী জয়ী হয়। আনহাতে এ আই ইউ ডি এফ দলৰ দুৰ্গ হিচাপে পৰিচিত দলগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদীয় সমষ্টিত ফ্লপ শ্ব' দেখুৱালে আজমল বাহিনীয়ে। সমষ্টিটোৰ তিনিটা জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ আৰু এটাত ৰাইজৰ দলৰ প্ৰাৰ্থী জয়ী হৈছে। দুৰ্যোগৰ দিনটো কংগ্ৰেছ দলে জিলাখনত চাৰিখন জিলা পৰিষদীয় সমষ্টি দখল কৰিবলৈ সক্ষম হোৱাত উৎফুল্লিত হৈ পৰিছে কংগ্ৰেছী শিবিৰ। মঙলদৈ বিধানসভাৰ সমষ্টিৰ অন্তৰ্গত চপাই জিলা পৰিষদ সমষ্টিত বিজেপি দলৰ অনিতা ৰাজবংশীয়ে ১৬,৪৮৭ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ জুতিকা নাথে ৭,৬৮২ টা ভোট লাভ কৰাত বিজেপি প্ৰাৰ্থী অনিতা ৰাজবংশীয়ে ৮,৮০৫ টা ভোটত জয়লাভ কৰে। নতুনকৈ গঠিত হাউলী জিলা পৰিষদ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী শেৱালি গোস্বামী কলিতাই ১৮,১৭৭ টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ ছিৰাজুল হকে ৫,৩৯৭ টা ভোট লাভ কৰাত বিজেপিৰ শেৱালি গোস্বামী কলিতা ১২,৭৮০ ভোটত জয়ী হয়। আনহাতে মোৰামাৰী জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ মুক্তা দেৱী মণ্ডলে ২৩,৩৮৮ টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী অসম গণ পৰিষদৰ মণি দাসে ৮০৮৫ টা ভোট লাভ কৰাত কংগ্ৰেছ প্ৰাৰ্থী মুক্তা দেৱী মণ্ডল ১৫,৩০৩ টা ভোটাৰ ব্যৱধানত জয়ী হয়। মুক্তা দেৱী মণ্ডলৰ জয়ৰ ক্ষেত্ৰত কংগ্ৰেছ দলৰ মহিলা নেত্ৰী ৰিজুমণি তালুকদাৰ আৰু যুৱ কংগ্ৰেছৰ নেতা আব্দুল্লা শ্বেখৰ অৱদান যথেষ্ট আছে বুলি চৰ্চা হৈছে। ইফালে ৰঙামাটি জিলা পৰিষদ সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী বিতোপন ডেকা বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছিল। আনহাতে মঙলদৈ বিধানসভা সমষ্টিত বিশটা আঞ্চলিক পঞ্চায়তৰ সদস্য পদ আছে যদিও ইয়াৰে পাঁচটা পঞ্চায়তত বিজেপিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। আনহাতে নিৰ্বাচনৰ জৰিয়তে জয়ী হোৱা আঞ্চলিক পঞ্চায়তৰ সদস্য অৰ্থাৎ কাউন্সিলৰ পদত বিজয়ী প্ৰাৰ্থীসকল হ'ল ডাঁহী আঞ্চলিক পঞ্চায়তত প্ৰণিতা ডেকা (নিৰ্দলীয়), চমুৱাপাৰা আঞ্চলিক পঞ্চায়তত মঞ্জুলা বৰুৱা চহৰীয়া (বিজেপি), ৰৌমাৰী আঞ্চলিক পঞ্চায়তত মইনুল হক (কংগ্ৰেছ), অভয়াপুখুৰী আঞ্চলিক পঞ্চায়তত চাহজাহান আলী (নিৰ্দলীয়), বান্দিয়া আঞ্চলিক পঞ্চায়তত আক্কাছ আলি (তৃণমূল কংগ্ৰেছ), বৰকলা আঞ্চলিক পঞ্চায়তত কৰিশ্মা ডেকা (নিৰ্দলীয়), নগৰবাহী আঞ্চলিক পঞ্চায়তত বিনীতা হাজৰিকা (বিজেপি), ৰামহৰি আঞ্চলিক পঞ্চায়তত মনেশ্বৰ নাথ (বিজেপি), মোৰামাৰী আঞ্চলিক পঞ্চায়তত প্ৰমিলা মণ্ডল (বিজেপি), বেজপাৰা আঞ্চলিক পঞ্চায়তত মিন্টু চহৰীয়া (বিজেপি), জনাৰামচৌকা আঞ্চলিক পঞ্চায়তত ক্ষিৰদা বৰুৱা (বিজেপি), ধুলা আঞ্চলিক পঞ্চায়তত মৰ্জিনা বেগম হাজৰিকা (কংগ্ৰেছ), ওঝাগাঁও আঞ্চলিক পঞ্চায়তত জেছমিনাৰা বেগম (কংগ্ৰেছ), ওদোলাঝাৰ আঞ্চলিক পঞ্চায়তত আবিদা আহমেদ (কংগ্ৰেছ) আৰু ৰঙামাটি আঞ্চলিক পঞ্চায়তত বিনয় ডেকা (অগপ) জয়ী হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিজেপিৰ আভ্যন্তৰীণ কন্দলত পৰাজিত

জিলা পৰিষদেই বিজেপি আৰু অগপ মিত্ৰদলে দখল কৰিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছ দলে মঙলদৈ সমষ্টিৰ মোৰামাৰী জিলা পৰিষদৰ লগতে দলগাঁও বিধানসভা সমষ্টিৰ বেছিমাৰী, বিহুদিয়া আৰু শ্যামপুৰ জিলা পৰিষদত জয়লাভ কৰিছে। লক্ষণীয়ভাৱে ৰাইজৰ দলে দলগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত শ্যামটিলা অপৰীয়া জিলা পৰিষদত জয়লাভ কৰিছে। পিছে জিলাখনত বিজেপিৰ বৃহৎ জয়ৰ পিছতো সন্তুষ্ট নহয় একাংশ দলীয় কৰ্মী। বিজেপি দলৰ আভ্যন্তৰীণ কন্দলৰ বাবেই বহুকেইটা আঞ্চলিক পঞ্চায়ত বিজেপিৰ দলীয় প্ৰাৰ্থী পৰাজিত হ'বলগীয়া হোৱাৰ লগতে জিলা পৰিষদৰ প্ৰাৰ্থীসকলেও আহুকালৰ সন্মুখীন হৈছে বুলি অভিযোগ উঠিছে। বিশেষকৈআগন্তুক বিধানসভা নিৰ্বাচন প্ৰাৰ্থিত্বকেন্দ্ৰিক মনোভাব আৰু প্ৰাৰ্থিত্ব দাবীদাৰৰ লবীকেন্দ্ৰিক সংঘাতৰ বাবেই একাংশ নিষ্ঠাবান কৰ্মী সংকটত পৰিছে। জিলা পৰিষদক বাদ দি প্ৰায় প্ৰতিটো আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্যৰ বাবে সম্ভাব্য প্ৰাৰ্থীসকলে ডেমী প্ৰাৰ্থী থিয় কৰোৱা দেখা গৈছে। সমগ্ৰ মঙলদৈ বিধানসভা সমষ্টিতেই বিজেপিৰ নেতা-কৰ্মীসকলে একত্ৰিতভাৱে কাম কৰাৰ বিপৰীতে কৰ্মীসকলৰ মাজত সংঘাত সৃষ্টি কৰা পৰিলক্ষিত হৈছে। যাৰ পৰিণতিত নিৰ্দলীয় প্ৰাৰ্থীৰ হাততেই পৰাজিত হৈছে বহু বিজেপি প্ৰাৰ্থী। বিশেষকৈ বৰকলা গাঁও পঞ্চায়তত আঞ্চলিক পঞ্চায়তৰ বিজেপি দলৰ প্ৰাৰ্থী অজিত ডেকা জয়ী হোৱাৰ পূৰ্ণ সম্ভাৱনা থকাৰ পিছতো এগৰাকী নেতাৰ প্ৰৰোচনাত নিৰ্দলীয় প্ৰাৰ্থীৰ হাতত অজিত ডেকা পৰাজিত হ'বলগীয়া হয়। সেইদৰে জিলা কিষাণ মৰ্চাৰ সভাপতি নন্দেশ্বৰ বৰুৱা মোৰামাৰী গাঁও পঞ্চায়তৰ ২ নং খণ্ডৰ সদস্য হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি শোচনীয় পৰাজয় হ'বলগীয়া হয়। ইফালে ডাঁহী গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা সংগীতা চৌধুৰী ডেকা পৰাজিত হয়। সংগীতা আছিল বিধায়ক বসন্ত দাসৰ সোঁহাতস্বৰূপ বিপুল ডেকাৰ পত্নী। এয়া মাত্ৰ কেইটামান উদাহৰণহে। এই বিষয়সমূহ লৈ একাংশ নেতাৰ কু-ৰাজনীতিৰ সবিশেষ জিলা বিজেপিৰ সভাপতি মুকুন্দ ডেকা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ হাতত লিখিত অভিযোগ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। যদিও সমষ্টিটোত বিজেপি দলে অধিকাংশ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ দখল কৰিছে তথাপি তৃণমূল কৰ্মীসকলে মুকলিভাৱে কাম কৰিব নোৱাৰা এই পৰিবেশ বিৰাজ কৰিছে দৰং বিজেপিৰ আভ্যন্তৰীণ সাংগঠনিক দিশত। এই ধৰণৰ ৰাজনীতি অব্যাহত থাকিলে ২৬ৰ নিৰ্বাচনত মঙলদৈ সমষ্টি বিজেপিৰ কাৰণে অশুভ হ'ব বুলি চৰ্চা লাভ কৰিছে।

# ক্ৰমান্বয়ে স্বাভাৱিক অৱস্থালৈ আহিছে পঞ্জাৱৰ সীমান্তৱৰ্তী গাঁওসমূহ

**চণ্ডীগড়, ১২ মে':** পঞ্জাৱৰ সীমান্তৱৰ্তী গাঁওসমূহ ক্ৰমান্বয়ে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে। যুদ্ধবিৰতি ঘোষণা হোৱাৰ পাছতে বিস্ফোৰণ বন্ধ হৈছে, ড্ৰ'ন দেখাও বন্ধ হৈ গৈছে। বজাৰত মানুহৰ ভৰি পৰিছে যদিও ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধবিৰতি ঘোষণা হোৱাৰ দুদিন পাছতো বিদ্যালয়বোৰ বন্ধ হৈ থাকিল। তথাপিও মানুহ সতৰ্ক হৈ আছে। ৰাজ্যখনৰ ৫৫৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত পাকিস্তানৰ সৈতে সংযুক্ত। শত্ৰু ৰাষ্ট্ৰৰদ্বাৰা আক্ৰমণৰ আশংকাত ৰাজ্য এৰি গৃহ চহৰলৈ যোৱা প্ৰব্ৰজিত শ্ৰমিকসকল এতিয়াও ঘূৰি অহা নাই। কমেও এমাহলৈ ঘূৰি নাহিব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ধান ৰোপণৰ দৰে কামৰ কাম-কাজত প্ৰভাৱ পৰিব। চেম্বাৰ অৱ কমাৰ্চৰ পঞ্জাৱ ষ্টেট চেপ্টাৰৰ ভূতপূৰ্ব সভাপতি আৰএছ সচদেৱে কয় যে ভাৰত আৰু পাকিস্তানৰ মাজত শত্ৰুতাত আতংকিত হৈ উত্তৰ প্ৰদেশ আৰু বিহাৰৰ দৰে ৰাজ্যৰ পৰা প্ৰব্ৰজিত শ্ৰমিকসকলে নিজৰ গৃহ চহৰলৈ ৰাওনা হয়। তেওঁ কয় যে ৪০ শতাংশ শ্ৰমিকে ৰাজ্য এৰি গৈছে। জ্যেষ্ঠ কৃষক নেতা প্ৰেম সিং ভাংগুৱে কয় যে শ্ৰমিকৰ অনুপস্থিতিয়ে ৰাজ্যত ধান ৰোপণত প্ৰভাৱ পেলাব। এই উত্তেজনাৰ বাবেই জনপ্ৰিয় পৰ্যটনস্থলী অমৃতসৰত পৰ্যটকৰ আগমন হ্ৰাস পোৱা দেখা গ'ল। অৱশ্যে দেওবাৰে অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ পদপথত মন্দিৰত সেৱা কৰিবলৈ হাজাৰ হাজাৰ ভক্ত উপস্থিত হৈছিল। স্বৰ্ণ মন্দিৰৰ পৰিচালক ৰাজিন্দৰ সিঙে কয় যে, "কালি স্বৰ্ণ মন্দিৰত ভক্তৰ বিশাল সমাগম হৈছিল যদিও সম্পূৰ্ণ স্বাভাৱিকতা এতিয়াও ঘূৰি আহিব পৰা নাই। মন্দিৰত দেখা পোৱা ভক্তৰ সংখ্যা স্বাভাৱিক জনসমাগমৰ প্ৰায় ৭৫ শতাংশ আছিল। অনাগত দিনত আমি আশা কৰিছো যে এই সংখ্যা সাধাৰণ স্তৰলৈ ঘূৰি আহিব।" স্থানীয় ৰাইজে বিশেষকৈ অমৃতসৰ, পাঠানকোট, ফিৰোজপুৰৰ দৰে সীমান্ত জিলাৰ লোকসকলে দেশৰ সশস্ত্ৰ বাহিনীক ধন্যবাদ জ্ঞাপন কৰে। সীমান্তৱৰ্তী ছয়খন জিলাৰ প্ৰশাসনে ৰাইজক পুনৰ স্বাভাৱিক কাম-কাজ আৰম্ভ কৰি শান্তি বজাই ৰাখিবলৈ অনুৰোধ জনাইছে। অৱশ্যে জিলা কৰ্তৃপক্ষই ৰাইজক ফটকা নুফুটাবলৈ বা ড্ৰোন উৰুৱাই নিদিবলৈ অনুৰোধ জনাইছে।



বাংগালুৰুত বুদ্ধ পূৰ্ণিমা উদ্‌যাপনৰ দৃশ্য, ফটো সোমবাৰৰ

# ভাৰত-পাকিস্তানক শান্তিপূৰ্ণভাৱে সমস্যা সমাধান কৰিবলৈ আহ্বান চুবুৰীয়া চীনৰ

**বেইজিং, ১২ মে':** শেহতীয়া যুদ্ধবিৰতিৰ প্ৰতি সমৰ্থনত গুৰুত্ব আৰোপ কৰি চীনে ভাৰত আৰু পাকিস্তানৰ মাজত শান্তি আৰু সংযমৰ বাবে আজি ৰাজহুৱাভাৱে আহ্বান জনায় আৰু আঞ্চলিক স্থিতিশীলতা বজাই ৰখাৰ ক্ষেত্ৰত গঠনমূলক ভূমিকা গ্ৰহণ কৰাৰ প্ৰস্তাৱ দিয়ে। সংবাদ মাধ্যমক সম্বোধন কৰাৰ সময়ত বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ লিন জিয়ানে যুদ্ধবিৰতিয়ে ভাৰত আৰু পাকিস্তান উভয়ৰে দীৰ্ঘম্যাদী স্বাৰ্থ পূৰণ কৰে বুলি ব্যক্ত কৰে আৰু দুয়োপক্ষকে মতানৈক্য বৃদ্ধিৰ পৰিৱৰ্তে আলোচনা আৰু আলোচনাৰ জৰিয়তে সমাধান কৰিবলৈ আহ্বান জনায়। উল্লেখ্য, ইয়াৰ পূৰ্বে শনিবাৰে চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িয়ে এক বিবৃতি প্ৰকাশ কৰি কৈছিল যে চীনে পাকিস্তানৰ সাৰ্বভৌমত্ব আৰু ৰাষ্ট্ৰীয় স্বাধীনতা ৰক্ষাৰ ক্ষেত্ৰত দেশখনৰ কাষত থিয় দি থাকিব।

# হাৰিয়ানাত ৩৯ অবৈধ বাংলাদেশী নাগৰিক আটক

**চণ্ডীগড়,১২ মে':** হিছাৰ জিলাৰ হান্সি অঞ্চলত অবৈধভাৱে বাস কৰা ৩৯ জন বাংলাদেশী নাগৰিকক আজি হাৰিয়ানা আৰক্ষীয়ে আটক কৰে। এটা ইটা ভাটাত কাম কৰি থকা লোককেইজন প্ৰয়োজনীয় নথি-পত্ৰ অবিহনে বাংলাদেশৰ পৰা সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশ কৰিছিল। সূত্ৰসমূহে জনোৱা মতে, আটক কৰা ৩৯ জন বাংলাদেশী নাগৰিকৰ ভিতৰত ১৪ জন পুৰুষ, ১১ জন মহিলা, আৰু ১৪ জন শিশু। এই আটাইকেইজনেই টোছাম ৰোডৰ ইটাৰ ভঁৰালত কৰ্মৰত আছিল বুলি জানিব পৰা গৈছে।

# পদ্মশ্ৰী বঁটা প্ৰাপক প্ৰখ্যাত বিজ্ঞানী সুবন্নাৰ ৰহস্যজনক মৃত্যু

**মহীশূৰ, ১২ মে':** ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰাক্তন সঞ্চালক প্ৰধান তথা পদ্মশ্ৰী বঁটা বিজয়ী ডও সুবন্না আয়াপ্পনক ৰহস্যজনক পৰিস্থিতিত মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। যোৱা ১০ মে' শনিবাৰে শ্ৰীৰংগপটনাৰ সাই আশ্ৰমৰ সমীপৰ কাবেৰী নদীত মৃতদেহটো আৰক্ষীয়ে উদ্ধাৰ কৰে। পত্নীৰ সৈতে মহীশূৰত বাস কৰা ডাঃ আয়াপ্পান যোৱা ৭ মে'ত নিৰুদ্দেশ হোৱাৰ খবৰ পোৱা গৈছিল। দেওবাৰে সন্ধিয়া মৃতদেহটো তেওঁৰ বুলি চিনাক্ত হোৱাৰ পিছত কৰ্তৃপক্ষক সতৰ্ক কৰি দিয়া হৈছিল। তেওঁৰ স্কুটিখনো নদীৰ পাৰত পৰিত্যক্ত অৱস্থাত উদ্ধাৰ হোৱাৰ ফলত তেওঁৰ মৃত্যুৰ ৰহস্য আৰু অধিক গভীৰ হৈ পৰে। ভাৰতৰ 'নীলা বিপ্লৱ'ৰ প্ৰধান প্ৰতিষ্ঠাতা হিচাপে বহুলভাৱে স্বীকৃতিপ্ৰাপ্ত ডও আয়াপ্পানে মাছ পালনৰ নতুন আৰু উন্নত উপায় সৃষ্টি কৰিছিল যিয়ে সমগ্ৰ ভাৰততে মাছ পালন আৰু ধৰাৰ পদ্ধতি সলনি কৰিছিল। এই সুদূৰপ্ৰসাৰী অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক ২০২২ চনত পদ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছিল।

# ইজৰাইলী-মাৰ্কিন বন্দী ইডেনক মুকলি কৰিলে হামাছে

## দীৰ্ঘদিনীয়া অপেক্ষাৰ পৰিল অন্ত

**গাজা, ১২ মে':** ৫৮৪ দিনৰ বন্দিত্বৰ পাছত হামাছে আজি ইজৰাইলী-আমেৰিকান যুৱক ইডেন আলেক্সেণ্ডাৰক মুকলি কৰি দিয়ে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ মধ্য প্ৰাচ্য ভ্ৰমণৰ ঠিক আগতেই এই পদক্ষেপ লৈছে হামাছে, যাক "সদিচ্ছাৰ সংকেত" বুলি বিবেচনা কৰিছে যুক্তৰাষ্ট্ৰ, ইজ্ৰাইল আৰু পেলেষ্টাইনৰ বিষয়ববীয়াই। ইডেনক খান ইউনিছৰপৰা ৰে'ড ক্ৰছৰ জৰিয়তে ইজৰাইলী সেনাৰ ওচৰলৈ স্থানান্তৰ কৰা হয়। তেওঁৰ স্বাস্থ্যই যদি অনুমতি দিয়ে, তেন্তে বুধবাৰে তেওঁ ডোহালৈ যাব আৰু তাত ট্ৰাম্পৰ সৈতে দেখা কৰিব। এই মুক্তিৰ কেইঘণ্টামান আগতে ট্ৰাম্পে ইজৰাইলৰ প্ৰধানমন্ত্ৰী নেতান্যাহুৰ সৈতে টেলিফোনত কথা পাতিছিল। তাৰ ফলত, বন্ধক-মুক্তিৰ নতুন চুক্তিৰ আশাৰে ইজৰাইলে নিজৰ আলোচনাকাৰী দলক ডোহালৈ পঠিয়াইছে। চুক্তি অনুসৰি, ৮-১০ জন বন্ধকৰ বিনিময়ত ৪৫-৭০ দিনীয়া যুদ্ধবিৰতিৰ প্ৰস্তাৱ দিয়া হৈছে। হামাছে বিচাৰিছে যে যুদ্ধ স্থায়ীভাৱে বন্ধ হওক, বন্দী-বিনিময় হওক আৰু গাজাৰ পুনঃনিৰ্মাণ আৰম্ভ হওক। ইজৰাইলে স্পষ্টকৈ কৈছে যে আলোচনা চলি থাকিলেও সামৰিক অভিযানৰ প্ৰস্তুতি চলি আছে।

# যুদ্ধ বলীউডৰ চিনেমা নহয়! প্ৰাক্তন সেনা বিষয়া

**পুনে, ১২ মে':** ভাৰত আৰু পাকিস্তানৰ মাজত শেহতীয়া যুদ্ধবিৰতিক সমৰ্থন কৰি ভাৰতীয় সেনাবাহিনীৰ প্ৰাক্তন মুৰব্বী জেনেৰেল মনোজ নাৰৱণে কয় যে যুদ্ধ কোনো ৰোমান্টিক বস্তু নহয় আৰু ই বলীউডৰ চিনেমাও নহয়। দেওবাৰে পুনেত দ্য ইনষ্টিটিউট অৱ কষ্ট একাউন্টেণ্টছ অৱ ইণ্ডিয়াৰ হীৰা জয়ন্তী অনুষ্ঠানত ভাষণ দি নৰৱণে কয়, "যেতিয়া প্ৰকৃততে যুদ্ধ আৰম্ভ হয়, তেতিয়া মৃত্যু আৰু ধ্বংসলীলা হয়। ইয়াৰ নিজস্ব খৰচ থাকে, পুনৰ নিৰ্মাণৰ খৰচ থাকে আৰু হেৰুওৱা সঁজুলিৰ খৰচো থাকে"। তেওঁ লগতে কয় যে যুদ্ধ এক ব্যয়বহুল বিষয়, "যদি আমাৰ মাজত সপ্তাহ আৰু মাহজুৰি বিস্তৃত দীঘলীয়া সংঘাত হয়, তেন্তে কল্পনা কৰকচোন তাৎক্ষণিকভাৱে প্ৰতিটো লোকচানৰ অৰ্থ কি হ'ব।" "যদি আপুনি তথ্য আৰু পৰিসংখ্যাৰ ওপৰত মনোযোগ দিয়ে, তেন্তে আপুনি উপলব্ধি কৰিব যে লোকচান অতি বৃহৎ বা অতিক্ৰম কৰিব নোৱাৰা হ'বলৈ আৰম্ভ কৰাৰ আগতেই ইয়াক ৰোধ কৰাটো জ্ঞানী লোকৰ কাম", তেওঁ কয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মন্দিয়া বিধানসভাত কংগ্ৰেছৰ

প্ৰাৰ্থীক ভোটদান কৰিছে। বৰপেটা জিলাখনৰ ১৯ টা জিলা পৰিষদ সমষ্টিৰ ভিতৰত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত সমষ্টি হ'ল চাৰিটা। এই চাৰিটা জিলা পৰিষদ সমষ্টিৰ ভিতৰত ৮ নং কলগাছিয়া জিলা পৰিষদত কংগ্ৰেছৰ ময়নুল হকে এ আই ইউ ডি এফৰ প্ৰাৰ্থী খন্দকাৰ জাকিৰ হুছেইনক পৰাজিত কৰি জয়লাভ কৰিছে। সেইদৰে ৯ নং বৰভিঠা-চতলা জিলা পৰিষদত এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছুফিয়া খাতুনে কংগ্ৰেছৰ আবুল কালাম আজাদক হৰুৱাই জয়লাভ কৰে। একেদৰে ১০ নং জনীয়া জিলা পৰিষদত কংগ্ৰেছৰ মনিয়াৰা পাৰবীনে ব্যাপক ভোটত জয়লাভ কৰি নিকটতম প্ৰতিদ্বন্দী এ আই ইউ ডি এফৰ প্ৰাৰ্থী ৰুমী পাৰবীনক পৰাস্ত কৰে কৰে। আনহাতে ১১ নং সত্ৰকণৰা জিলা পৰিষদত কংগ্ৰেছৰ উপাতন নেছা ১৩,৬৫২ টা ভোট লাভ কৰি বিজয়ী হোৱাৰ বিপৰীতে নিকটতম নিৰ্দলীয় প্ৰাৰ্থী মনোৱাৰা আহমেদে ৫,৭১৭ টা ভোট লাভ কৰি পৰাজয় বৰণ কৰে। উক্ত জিলা পৰিষদ সমূহত কংগ্ৰেছ- এ আই ইউ ডি এফৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা হৈছিল যদিও একমাত্ৰ সত্ৰকণৰা জিলা পৰিষদত কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীৰ মাজত হৈছে তুমুল যুঁজ। সেইদৰে মন্দিয়া বিধানসভা সমষ্টি খনৰ ২৬ টা আঞ্চলিক সদস্য পদৰ ভিতৰত কংগ্ৰেছে লাভ কৰে ১৬ টা, এ আই ইউ ডি এফে লাভ কৰে ৯ টা আৰু এটা আসন নিৰ্দলীয় প্ৰাৰ্থীয়ে দখল কৰিবলৈ সক্ষম হৈছে। ইয়াৰে বলাইপাথাৰত কংগ্ৰেছৰ জামাল উদ্দিনে জয়লাভ কৰাৰ লগতে কলগাছিয়াত বাবুল হাছান খান (কংগ্ৰেছ), টাপেশ্বৰাত ছানিয়াৰা খাতুন (কংগ্ৰেছ ), শওঁপুৰত ৰফিকুল ইছলাম খান ( এ আই ইউ ডি এফ), জনতাত ৰেহেনা খাতুন ( এ আই ইউ ডি এফ) আৰু সোণাপুৰ ৰুভিত আজমিনা খাতুন (এ আই ইউ ডি এফ) য়ে জয়লাভ কৰিছে। বৰভিঠা-চতলা জিলা পৰিষদ এলেকাত আঞ্চলিক সদস্য পদত জয়লাভ কৰিছে বৰভিঠা গাঁও পঞ্চায়ত আকিফা আকতাৰা (কংগ্ৰেছ), চিকনীত বাহাৰুল ইছলাম (কংগ্ৰেছ), বনঘূগীত ৰেছমা মণ্ডল ( এ আই ইউ ডি এফ), তিতাপানীত তাঞ্জুৱাৰা বিলকিছ (কংগ্ৰেছ), মইনবৰীত ৰেজিনা পাৰবীন (কংগ্ৰেছ), তাৰাকান্দিত মনিৰ উদ্দিন (এ আই ইউ ডি এফ), জয়পুৰ ছিকাটাৰীত আব্দুল খালেক (এ আই ইউ ডি এফ) আৰু চতলাত মনোৱাৰ হুছেইন (কংগ্ৰেছ) -এ জয়লাভ কৰিছে। জনীয়া জিলা পৰিষদৰ অন্তৰ্গত বিজয়ী আঞ্চলিক সদস্যসকল ক্ৰমে বানিয়াৰাপাৰা গাঁও পঞ্চায়তত মোমৰেজ আলী (নিৰ্দলীয়), কাদণ্ডত শাহিদা খাতুন (কংগ্ৰেছ), জনীয়াত আজমিনা খাতুন (কংগ্ৰেছ), শিতুলীত নজৰুল ইছলাম (কংগ্ৰেছ), মেধিৰটাৰীত হাছিনা খাতুন (কংগ্ৰেছ) আৰু বাহমুৰাত আব্দুল আলী (এ আই ইউ ডি এফ)। সত্ৰকণৰা জিলা পৰিষদৰ অন্তৰ্গত মন্দিয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদত বিজয়ী হৈছে কংগ্ৰেছৰ মমতাজ বেগম। সেইদৰে গোবিন্দপুৰত ছালেহা খাতুন (কংগ্ৰেছ), সত্ৰকণৰাত আবু শ্বামা আহমেদ (কংগ্ৰেছ), চাচৰাত স্বোহাগী খাতুন (কংগ্ৰেছ), বাঘবৰত হাইদৰ আলী (এ আই ইউ ডি এফ) আৰু বালিকুৰিত ৰহিতন নেছা (এ আই ইউ ডি এফ) ই জয়লাভ কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰ্ষীয়ান বামপন্থী নেতা কমৰেড নুৰুল

মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অসংখ্য গুণমুগ্ধই তেওঁৰ নীলবাগান শিংগিৰিপাৰস্থিত বাসগৃহত ভিৰ কৰে। আজীৱন চি পি আই দলতে থাকি নিষ্পেষিত, নিপীড়িত,গৰিব, মেহনতি মানুহৰ হকে যুঁজ দিয়া কমৰেড নুৰুল ইছলাম চৌধুৰী ছাত্ৰ অৱস্থাৰে পৰা চি পি আইৰ ছাত্ৰ সংগঠন এ আই এছ এফত জড়িত হৈছিল। '৭০ ৰ দশকত এ আই এছ এফৰ পৰা নীলবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ একতা সভাৰ সম্পাদক নিৰ্বাচিত হৈছিল। ছাত্ৰ অৱস্থাৰে পৰা মাৰ্ক্সবাদী আদৰ্শ প্ৰতি আকৰ্ষিত হোৱা নুৰুল ইছলাম চৌধুৰী কৃষক- শ্ৰমিক আৰু ভূমি আন্দোলনত জড়িত হৈ নেতৃত্ব বহন কৰিছিল। হোজাই জিলাৰ প্ৰয়াত কমিউনিষ্ট নেতা ক্ৰমে মনিৰ উদ্দিন চৌধুৰী, তালিবুল হুছেইন, সোনাহৰ আলী বৰভুঞা, ৰহিম উদ্দিন, আফতাৰ উদ্দিনৰ সৈতে ভূমিহীনৰ ভূমি পট্টা প্ৰদানৰ আন্দোলনত জড়িত হৈ যমুনা মৌডঙ্গা কৃষি পাম, কাকী, সদৰগাঁও, ডিমৰুপাৰ, মেথিগাঁও আদি ৰিজাৰ্ভত ভূমিহীন লোকক সংস্থাপন দিছিল। ১৯৮৫ চনত চি পি আইৰ হোজাই মহকুমা পৰিষদৰ সম্পাদক নিৰ্বাচিত হৈছিল প্ৰয়াত নুৰুল ইছলাম চৌধুৰী। চি পি আইৰ কৃষক সংগঠন নিখিল ভাৰত কৃষক সভা, শ্ৰমিক সংগঠন এ আই টি ইউ চিৰ অভিবক্ত নগাঁও জিলাত নেতৃত্ব বহন কৰা কমৰেড চৌধুৰী নগাঁও জিলা চি পি আইৰ সম্পাদক মণ্ডলীৰ সদস্য আৰু চি পি আইৰ ৰাজ্য পৰিষদৰ সদস্য হিচাপেও নিৰ্বাচিত হৈছিল। সমগ্ৰ জীৱন কমিউনিষ্ট পাৰ্টিত থাকি সমাজৰ সকলোস্তৰৰ মাজতে সমাদৰ লাভ কৰা কমৰেড নুৰুল ইছলাম চৌধুৰী শৈক্ষিক অনুষ্ঠান আৰু ক্ৰীড়া সংগঠনত প্ৰত্যক্ষভাৱে জড়িত আছিল। ১৯৯১ আৰু ১১৯৬ চনত দুবাৰকৈ যমুনামুখ বিধানসভা সমষ্টিত বিধায়ক পদত প্ৰতিদ্বন্দ্বিতা কৰিছিল। '৯০ ৰ দশক তদানীন্তন চি পি আইৰ নেতাসকল ক্ৰমে বিনয় লাহিড়ী, গুৰুদাস দাসগুপ্ত, ফণী বৰা, প্ৰমোদ গগৈ, দ্ৰুপদ বৰগোহাঁই, আলা উদ্দিন সৰকাৰ, গিয়াছ উদ্দিন আহমেদ, ক্ষুদ্ৰ বৰা, মুনীন মহন্তৰ সৈতে একেলগে কমিউনিষ্ট আন্দোলনক নেতৃত্ব বহন কৰা কমৰেড নুৰুল ইছলাম চৌধুৰীয়ে বিভিন্ন আন্দোলনত জড়িত হৈ কাৰাবাসো খাটিছিল। মৃত্যুৰ সময়ত পত্নীকে ধৰি দুগৰাকী জীয়ৰী আৰু এজন পুত্ৰক ইহসংসাৰত এৰি যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৩ বছৰ। তেওঁৰ মৃত্যুত চি পি আইৰ ৰাজ্য পৰিষদৰ সম্পাদক কনক গগৈ, সহঃ সম্পাদক ৰাতুল বৰা, এ আই ৰাই এফৰ কৃষ্ণ গগৈ, এ আই এছ এফৰ যদু বৰা, অসম মহিলা সংঘৰ অসমী গগৈ, চি পি আইৰ হোজাই, মৰিগাঁও, নগাঁও জিলা সমিতিৰ হে আব্দুৰ ৰৌফ, নুৰ উদ্দিন, চি পি আই (এম)ৰ যজ্ঞেশ্বৰ দাস, ফৰিজ চৌধুৰী, হুছেইন আহমেদ, শ্বামিম আজাদ, হোজাই জিলা সমিতি মৰ্কজুল মা আৰিফৰ উপদেষ্টা ছামচুল হক চৌধুৰী, অসম জাতীয় পৰিষদৰ মুখপাত্ৰ জিয়াউৰ ৰহমান, অধিবক্তা মোৱাকিব আলী, নীলবাগান মডেল হায়াৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞা, হোজাই জিলা সাহিত্য সভাৰ উপ-সভাপতি আইনুল হক চৌধুৰী, সমাজসেৱী খলিলুৰ ৰহমান মজুমদাৰ, চিকিৎসক বিলায়েত হুছেইন, মনিৰ চৌধুৰী মে`মৰিয়েল ফাউণ্ডেচন, নীলবাগান শাখা সাহিত্য সভাৰ সম্পাদক বাচিত আলম চৌধুৰী, যমুনাপৰীয়া শাখা সাহিত্য সভা, হোজাই জিলা কৰ্মচাৰী পৰিষদকে ধৰি বিভিন্ন ব্যক্তি-সংগঠনে শোক প্ৰকাশ কৰে। চি পি আই, চি পি আই (এম) আৰু এ আই টি ইউ চিৰ হোজাই জিলা সমিতিৰ সদস্যসকলে ৰক্ত পতাকাৰে মৃতদেহক অন্তিম শ্ৰদ্ধা জনায়। আজি বিয়লি কেইবাসহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত জানাজা সম্পন্ন হয় নেতাগৰাকীৰ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বুদ্ধ পূৰ্ণিমা উপলক্ষে উদুলি-মুদুলি

দিনটোত জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত বেছ উলহ-মালহেৰে নৰোৱা সত্ৰৰ পালনাম সেৱা অনুষ্ঠিত কৰা হয় । স্মৰ্তব্য যে ১৬৫৬ খ্ৰীষ্টাব্দত আই কনকলতা আৰু দামোদৰ আতাই বৰদোৱা থান পুনৰ উদ্ধাৰ কৰাৰ পিছৰে পৰা বৌদ্ধ পূৰ্ণিমা তিথিত নৰোৱা সত্ৰই বছৰ বছৰ ধৰি অবিৰতভাৱে পাতি আহিছে এই পালনাম। তদ্ৰূপ এইবাৰো পালনাম উপলক্ষে ভকত-বৈষ্ণৱৰ উপস্থিতিত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয় দ্বিতীয় বৈকুণ্ঠ বটদ্ৰৱা থান । পৰম্পৰা অনুসৰি সোমবাৰে বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰে ৰাইজৰ তৰফৰ পৰা পালনামৰ আহ্বান জনোৱাৰ পিছতে কীৰ্ত্তনঘৰত ঘোষাপাঠ আৰু নামডকা কাৰ্যসূচী ৰূপায়ণ কৰা হয় । ইফালে, কীৰ্ত্তনঘৰৰ থানৰ নামাচাৰ্য, পাঠক, গায়ন-বায়ন, দুই সত্ৰ আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱ তথা ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতিত খোল-প্ৰসংগ, নাম-কীৰ্তনেৰে মুখৰিত হৈ পৰে থানৰ চৌপাশ । আচলতে, ১৬৫৬ খ্ৰীষ্টাব্দত আই কনকলতা আৰু দামোদৰ আতাই বৰদোৱা থান পুনৰ উদ্ধাৰ কৰাৰ পিছৰে পৰা পৰম্পৰাগত এই পালনাম ব'হাগৰ পূৰ্ণিমা তিথিত নৰোৱা সত্ৰ অনুষ্ঠিত কৰি অহাৰ বিপৰীতে চ'ত মাহৰ পূৰ্ণিমা তিথিত শলগুৰি সত্ৰই প্ৰতি বছৰে এই পালনাম অনুষ্ঠিত কৰি আহিছে।

# জামুগুৰি-কুজিডাঁহ পঞ্চায়তত ৰণত পৰিল শাসকীয় বিজেপি

**ই-সংবাদ, বেৰেজীয়া, ১২ মে':** এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত বেছ চৰ্চা লাভ কৰা মধ্য অসমৰ অন্যতম গুৰুত্বপূৰ্ণ ৰহা সমষ্টিৰ অন্তৰ্গত পাখিমৰীয়া-জামুগুৰি জিলা পৰিষদৰ এলেকাধীন জামুগুৰি-কুজিডাঁহ পঞ্চায়তত অৱশেষত বিজয়ধ্বজা উৰুৱালে অসম গণ পৰিষদৰ প্ৰাৰ্থী কৌস্তুভ কুমাৰ বৰাই। বহু জল্পনা-কল্পনাৰ অন্তত কালি মাজনিশা ঘোষিত ফলাফলত পঞ্চায়তটোৰ আঞ্চলিক সদস্য পদত অগপৰ প্ৰাৰ্থীগৰাকীয়ে মিত্ৰজোঁটৰে প্ৰাৰ্থী সীমাৰেখা ভৰালীক বৃহৎ ব্যৱধানত পৰাজিত কৰিবলৈ সক্ষম হয়। উল্লেখ্য, এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত পঞ্চায়তটোৰ আঞ্চলিক সদস্য পদৰ বাবে পৰস্পৰ প্ৰতিদ্বন্দ্বীৰ ৰূপত থিয় দিছিল দুই মিত্ৰ দল শাসকীয় বিজেপি আৰু অগপৰ প্ৰাৰ্থী। আনকি পঞ্চায়তটোত যুঁযুধান ৰূপত সমুখ সমৰত নামি অগপ-বিজেপিৰ দুই প্ৰাৰ্থীয়ে নিৰ্বাচনী পৰিবেশ গৰম কৰি তুলিছিল । সেয়ে নিৰ্বাচনী যুঁজখন বেছ আকৰ্ষণীয় হৈ পৰা পঞ্চায়তটোৰ প্ৰতি সকলোৰে দৃষ্টি নিবন্ধ আছিল। পিছে অৱশেষত পঞ্চায়টোত ১৪৬১ টা ভোটৰ ব্যৱধানত শাসকীয় দল বিজেপিক পৰাস্ত কৰি শেষ হাঁহি মাৰিলে অগপই। আচলতে, যোৱাটো কাৰ্যকালত এই পঞ্চায়তটোৰ সভাপতি পদটো অগপৰ দখলত থকাৰ হেতু বিজেপি দলক এইবাৰ পঞ্চায়তটোৰ আঞ্চলিক সদস্য পদটো মিত্ৰদল হিচাপে অগপক এৰি দিবলৈ আহ্বান জনাইছিল। কিন্তু মনোনয়ন দাখিলৰ পূৰ্বে বিজেপিয়ে অগপৰ আহ্বানক নস্যাৎ কৰি সীমাৰেখা ভৰালী নামৰ এগৰাকী বিজেপি নেত্ৰীকহে দলীয় টিকট দিয়ে। ফলত বিজেপিৰ এনে কাৰ্যত ক্ষোভিত হৈ অগপ দলে যোৱাটো কাৰ্যকালৰ পঞ্চায়ত সভাপতি কৌস্তুভ কুমাৰ বৰাক দলীয় প্ৰাৰ্থীত্বৰে পঞ্চায়তটোৰ পৰা নিৰ্বাচনত নমায়। পৰিণতিত শীৰ্ষ পৰ্যায়ত বিজেপি আৰু অগপৰ মাজত দলীয় মিত্ৰতা থাকিলেও পঞ্চায়তটোত এইবাৰ দল দুটাৰ তৃণমূল কৰ্মীৰ মাজত এই মিত্ৰতা দেখিবলৈ পোৱা নগ'ল। আনকি, আনুষ্ঠানিকভাৱে নহ'লেও দলীয় নেতৃত্বই ভিতৰুৱাকৈ সমৰ্থন জনাইছিল নিজ নিজ দলৰ প্ৰাৰ্থীক। ইয়াৰ বিপৰীতে দুই মিত্ৰদলৰ মাজৰ এনে মতানৈক্যৰ সুবিধা লৈ পঞ্চায়তটোৰ আঞ্চলিক সদস্যৰ পদটো দখল কৰাৰ লক্ষ্যৰে বিৰোধী কংগ্ৰেছ দলে যুৱ সমাজকৰ্মী তথা 'সৰ্পবন্ধু' ভাস্কৰজ্যোতি বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল। কিন্তু প্ৰতীক্ষাৰ অন্ত পেলাই পঞ্চায়তবাসী ৰাইজে পুনৰ পঞ্চায়তটোৰ আঞ্চলিক সদস্যৰ পদত অগপৰ প্ৰাৰ্থী তথা অসম আন্দোলনৰ জ্যেষ্ঠ নেতা প্ৰয়াত বিমল চন্দ্ৰ বৰাৰ পুত্ৰ কৌস্তুভ কুমাৰ বৰাক আঁকোৱালি লোৱা দেখা গ'ল। ইফালে, নিৰ্বাচনত জয়ী হৈ উৎফুল্লিত হৈ পৰা কৌস্তুভ কুমাৰ বৰাই পঞ্চায়তটোৰ সামগ্ৰিক উন্নয়নৰ বাবে নিষ্ঠাৰে কাম কৰি যোৱাৰ কথা উল্লেখ কৰি পুনৰ ৰাইজে তেওঁৰ ওপৰত আস্থা ৰখাত সকলোকে কৃতজ্ঞতা জনাইছে।

# দলগাঁৱত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ চমকপ্ৰদ উত্থান

**ই-সংবাদ, খাৰুপেটীয়া, ১২ মে':** দৰং জিলাৰ দলগাঁও সমষ্টিত চাৰিটা জিলা পৰিষদ সমষ্টিত চমকপ্ৰদ উত্থান ঘটে কংগ্ৰেছৰ আৰু আত্মপ্ৰকাশ ঘটে ৰাইজৰ দলৰ প্ৰাৰ্থীৰ। সমষ্টিটোত আঞ্চলিক পঞ্চায়তত আধিপত্য বিস্তাৰ কৰে কংগ্ৰেছে। দলগাঁও বিধানসভা সমষ্টিত চাৰিখন আসনৰ ভিতৰত কংগ্ৰেছে তিনিখন আসনত জয়লাভ কৰে আৰু ৰাইজৰ দলে এখন আসন পাবলৈ সক্ষম হয়। দলগাঁও সমষ্টিত আঞ্চলিক পঞ্চায়তৰ সৰ্বমুঠ আসনৰ সংখ্যা ২৯খন। এআইইউডিএফে পঞ্চায়ত নিৰ্বাচনত শোচনীয়ভাৱে পৰাজয় বৰণ কৰে। এআই ইউডিএফে মাত্ৰ এখন আসনতে সন্তুষ্ট থকাৰ বিপৰীতে কংগ্ৰেছে ২৬ খন আসন দখল কৰিবলৈ সক্ষম হয়। সমষ্টিটোত এখনত বিজেপি আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে আঞ্চলিক পঞ্চায়তত এখন আসনত জয়লাভ কৰে।

# মথুৰাপুৰৰ বিশিষ্ট প্ৰাক্তন ব্যৱসায়ী জিতেন ডেকাৰ বিয়োগ

**ই-সংবাদ, মথুৰাপুৰ, ১২ মে':** চৰাইদেউ জিলাৰ মথুৰাপুৰ অঞ্চলৰ এগৰাকী বিশিষ্ট প্ৰাক্তন ব্যৱসায়ী জিতেন ডেকাই (৫৮) যোৱা নিশা ডিব্ৰুগড় অসম মেডিকেল কলেজত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি মথুৰাপুৰ ব্যৱসায়ী সন্থাই আজি মথুৰাপুৰ অঞ্চলৰ সমূহ ব্যৱসায়ী প্ৰতিষ্ঠান এবেলা বন্ধ ৰাখে। তেওঁ অঞ্চলটোৰ এগৰাকী সৰৱৰহী তথা সমাজপ্ৰিয় ব্যক্তি আছিল। মৃত্যুৰ খবৰ বিয়পাৰ লগে লগে সোমবাৰে পুৱা অজস্ৰ গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জিতেন ডেকা মথুৰাপুৰ ক্ৰীড়া সন্থাৰ এজন সক্ৰিয় প্ৰাক্তন সদস্যৰ লগতে অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত মথুৰাপুৰ ব্যৱসায়ী সন্থা, মথুৰাপুৰ ব'হাগী বিদায় সন্মিলন সমিতি, ছ'চিয়েল ৰেলফেয়াৰ গ্ৰুপ মথুৰাপুৰ, মথুৰাপুৰ ক্ৰীড়া সন্থাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু একমাত্ৰ কন্যাৰ লগতে বহুতো আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# আলুখুন্দা গাঁও পঞ্চায়তৰ নিৰ্দলীয় প্ৰাৰ্থীৰ সপক্ষে এটাও নপৰিল ভোট

**ই-সংবাদ, অভয়াপুৰী, ১২ মে':** বঙাইগাঁও জিলাৰ মাণিকপুৰ জিলা পৰিষদৰ অন্তৰ্গত পঞ্চায়ত এখনৰ সদস্য পদৰ প্ৰাৰ্থী এগৰাকীৰ সপক্ষে এটাও ভোট নপৰা বিষয়টোৱে চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে ১২ নং আলুখুন্দা গাঁও পঞ্চায়তৰ অন্তৰ্গত ৪নং ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে গান্না কিষাণৰ প্ৰতীকত নিৰ্বাচনত অৱতীৰ্ণ হৈছিল শ্ৰমিক ৰেজাবুল হক। কিন্তু ভোট গণনাত ৰেজাবুলৰ সপক্ষে এটাও ভোট নপৰাত চৰ্চাৰ বিষয় হৈ পৰে। পিতৃ-মাত তথা নিজৰ ভোটটোও নপৰা বিষয়টো সামাজিক মাধ্যমতো চৰ্চিত হৈছে।

# নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক শুভেচ্ছা জয়ন্তমল্ল বৰুৱাৰ

**ই-সংবাদ, বাঁহজানী, ১২ মে':** বহু আকাংক্ষিত পঞ্চায়ত নিৰ্বাচনৰ কালি ঘোষিত ফলাফলে ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ বাবে নলবাৰী বিধানসভা সমষ্টিত অভুতপূৰ্ব বিজয় কঢ়িয়াই আনিছে। চাৰিওটাকৈ জিলা পৰিষদৰ সদস্য তথা সকলো আঞ্চলিক পঞ্চায়ত সদস্য পদত ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিপুল ভোটত বিজয়ী কৰি নলবাৰীৰ ৰাইজে পুনৰ এবাৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ সুশাসন, স্বচ্ছতা আৰু উন্নয়নমুখী নীতিৰ ওপৰত দৃঢ় বিশ্বাস প্ৰকাশ কৰিছে। সোমবাৰে বিজেপিৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত আয়োজিত এক বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰি নৱনিৰ্বাচিত জনপ্ৰতিনিধিসকলক সাদৰ শুভেচ্ছা জনায় স্থানীয় বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। বৰুৱাই কয়, মোৰ আশা এই জনপ্ৰতিনিধিসকলে অতি নিষ্ঠা আৰু আন্তৰিকতাৰ সৈতে জনসাধাৰণৰ সেৱাত নিয়োজিত থাকি বিজেপিৰ অন্ত্যোদয়ৰ আদৰ্শক বাস্তৱায়িত কৰিব। সোমবাৰৰ এই অনুষ্ঠানত বিজেপিৰ নলবাৰী জিলাৰ সভাপতি জয়ন্ত বুজৰবৰুৱাৰ লগতে চাৰিওটা মণ্ডলৰ সভাপতি তথা বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

# নলবাৰী জিলা পৰিষদৰ ১২ খন আসনৰ ১১ খনতে বিজেপিৰ বিজয়

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১২ মে':** নলবাৰীৰ চৰকাৰী গৰ্ডন স্কুলৰ ভোটগণনা কেন্দ্ৰত পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনা আজি সম্পূৰ্ণ হৈছে। জিলাখনৰ মুঠ ১২ টা জিলা পৰিষদ সমষ্টি, ৬৪ গৰাকী আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৬৫০ গৰাকী পঞ্চায়ত সদস্য পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। ১২ টা জিলা পৰিষদ সমষ্টিৰ এঘাৰটাতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হৈছে। এটা জিলা পৰিষদ সমষ্টিত অতি কম ভোটৰ ব্যৱধানত কংগ্ৰেছ প্ৰাৰ্থী জয়ী হৈ কোনোমতেহে দলটোৰ অস্তিত্ব ধৰি ৰাখিবলৈ সক্ষম হয়। ঘোষিত ফলাফল অনুসৰি ঘগ্ৰাপাৰ জিলা পৰিষদত বিজেপিৰ ডিম্বেশ্বৰ বেজবৰুৱাই কংগ্ৰেছৰ বিজয় তালুকদাৰক ৯,৭৫৩ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। পশ্চিম বনভাগ জিলা পৰিষদত বিজেপিৰ হিতেশ বৰ্মনে ১৪, ৪৬৯ টা ভোট লাভ কৰি জয়লাভ কৰে। কংগ্ৰেছৰ সংগীতা কলিতাই মাত্ৰ ৪,৩১১ টা ভোটহে লাভ কৰে। টিহু জিলা পৰিষদত বিজেপিৰ ৰুবী দাসে কংগ্ৰেছৰ নৃপেন্দ্ৰনাথ দাসতকৈ ১০,১৫৮ টা বেছি ভোট লাভ কৰি জয়ী হৈছে। উত্তৰ নলবাৰী জিলা পৰিষদত বিজেপিৰ মিনি ডেকা কলিতাই জয়লাভ কৰে। তেওঁ কংগ্ৰেছৰ ৰুণীমা বৈশ্যতকৈ ১৩,০৪৩ টা ভোট বেছি পায়। মধুপুৰ জিলা পৰিষদত বিজেপিৰ দিলীপ বৰ্মনে ১০,৩৫৫ টা ভোটৰ ব্যৱধানত হৰুৱায় কংগ্ৰেছৰ উৎপল শৰ্মাক। পশ্চিম বৰক্ষেত্ৰী জিলা পৰিষদত কংগ্ৰেছৰ আব্দুল কাদিৰে মাত্ৰ ৪৩০ টা ভোটৰ ব্যৱধানত বিজেপিৰ নাছিৰুদ্দিন আহমেদক পৰাস্ত কৰে। বৰভাগ জিলা পৰিষদত বিজেপিৰ গীতুমণি বৈশ্যই কংগ্ৰেছৰ তুলসী দাসক ১৯,০৮৬ ভোটৰ ব্যৱধানত পৰাস্ত কৰে। মুকালমুৱা-জাগাৰা জিলা পৰিষদত ১৯,৯৮৮ টা ভোট লাভ কৰি বিজেপিৰ দীপ্তি তালুকদাৰ বিজয়ী হয়। কংগ্ৰেছৰ দীপালী ডেকাই লাভ কৰে ১০,৬৯৯ টা ভোট। ধৰ্মপুৰ জিলা পৰিষদত বিজেপিৰ শেৱালি বৰ্মনে ৮,৩৪৪ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে কংগ্ৰেছৰ ৰিংকুমণি দাস ডেকাক। বৰক্ষেত্ৰী চৰ জিলা পৰিষদতো বিজেপিৰ আনোৱাৰা খাতুনে ৮,৩০০ ভোটৰ ব্যৱধানত কংগ্ৰেছৰ মনোৱাৰা বেগমক পৰাজিত কৰে। বাঁহজানী জিলা পৰিষদত বিজেপিৰ হিতেশ তালুকদাৰে ১০,৮৮১ টা ভোটৰ ব্যৱধানত কংগ্ৰেছৰ নাৰায়ণ তালুকদাৰক পৰাস্ত কৰে। সেইদৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদত বিজেপিৰ চিমি বৰ্মনে কংগ্ৰেছৰ ধনশ্ৰী দাস বৰ্মনক হৰুৱাই জয়লাভ কৰে। ইপিনে ঘোষিত ফলাফল অনুসৰি মুঠ ৬৪ গৰাকী আঞ্চলিক পঞ্চায়ত সদস্যৰ ভিতৰত বিজেপিৰ ৫৪ গৰাকীয়ে জয়লাভ কৰাৰ বিপৰীতে অগপৰ ৫ গৰাকী আৰু কংগ্ৰেছৰ ৫ গৰাকী জয়ী হৈছে। আঞ্চলিক পঞ্চায়ত সদস্যৰ এটা পদত নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। উল্লেখনীয় যে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ গৃহ পঞ্চায়ত ৪৪ নং উপৰ বৰভাগ দেহাৰকুছি পঞ্চায়তৰ আঞ্চলিক সদস্য পদত কংগ্ৰেছ প্ৰাৰ্থী জয়ী হৈছিল যদিও শেহতীয়াভাবে বিষয়টো পুনৰ পৰীক্ষা কৰি থকা হৈছে। আনহাতে ৬৫০ গৰাকী পঞ্চায়ত সদস্যৰ ৯৭ গৰাকী বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছিল। নিৰ্বাচন অনুষ্ঠিত হোৱাসকলৰ ভিতৰত অধিকাংশই বিজেপি সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰে।

# এপিএইচএলচি ত্যাগ কৰি বিজেপিত যোগদান সহস্ৰাধিকৰ

**ই-সংবাদ, বৈঠালাংছ', ১২ মে':** কাৰ্বি পাহাৰত সম্প্ৰতি তুলিৰামৰ মেজিকে মোহাচ্ছন্ন কৰিছে সমগ্ৰ পাৰ্বত্য অঞ্চল। ২৬ টাকৈ পৰিষদীয় সমষ্টিৰে গঠিত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিটো পৰিষদীয় সমষ্টিতেই আঞ্চলিক ৰাজনৈতিক দল এপিএইচএলচি ত্যাগ কৰি বহু সদস্যই এতিয়া গেৰুৱা বসন ধাৰণ কৰিছে। সাধাৰণ সদস্যৰ লগতে প্ৰতিটো মৰ্চাৰ নেতৃত্বই আহি ক্ৰমান্বয়ে বিজেপি দলত যোগদান কৰাটো সঁচাকৈয়ে এক ৰাজনৈতিক পট পৰিবৰ্তনৰ দিশত ধাৱমান। বিগত লোকসভা নিৰ্বাচনত ১১২ নং আমৰি বিধানসভা সমষ্টিৰ পৰা বিজেপি দলে কাণে কাণ মাৰি জিকাৰ ফলত গেৰুৱা দলটোৱে এইবাৰ পূৰ্ণ শক্তি প্ৰদান কৰি আমৰি বিধানসভা সমষ্টি উদ্ধাৰৰ বাবে উঠিপৰি লাগিছে। ইতিমধ্য, পশ্চিম কাৰ্বি আংলং জিলাৰ ৯ টাকৈ পৰিষদীয় সমষ্টিত তুলিৰাম বাহিনীয়ে বিশাল যোগদান কাৰ্যসূচী ৰূপায়ণেৰে প্ৰতিটো সমষ্টি গেৰুৱাময় কৰি তুলিবলৈ সক্ষম হৈছে। বিজেপি দলৰ এই উত্থানক সকলোৱে একমুখে 'তুলিৰামৰ মেজিক' আখ্যাৰে বিজেপি দলৰ শক্তিশালী স্থিতিৰ বিষয়ে আলোচনা কৰা পৰিলক্ষিত হৈছে । বিশেষকৈ, অস্তিত্বহীন হৈ পৰা কংগ্ৰেছ দলক গুৰুত্ব নিদি এপিএইছএলচি দলক প্ৰাধান্য দি বিজেপি দলৰ এই বিশাল যোগদান কাৰ্যসূচী সঁচাকৈয়ে এক লক্ষণীয় বিষয় হৈ পৰিছে। প্ৰতিটো পৰিষদীয় সমষ্টিত কমেও দুইৰ পৰা তিনি সহস্ৰাধিক পৰিয়ালে এপিএইচএলচি দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰাটো প্ৰথমতে সকলোৱে অবিশ্বাস্য বুলি ভাবিছিল যদিও প্ৰকৃতাৰ্থত বিজেপি দলৰ এই যোগদান বাস্তৱসন্মত আৰু সঁচা বুলি প্ৰমাণিত হোৱাত বিৰোধী শিবিৰৰ থৰকাছুতি হেৰুৱাৰ উপক্ৰম হৈছে। অৱশ্য এই সন্দৰ্ভত তুলিৰাম ৰংহাঙে সাংবাদিকৰ আগত প্ৰকাশ কৰে যে এইয়া কোনো 'তুলিৰাম মেজিক' নহয়। বৰঞ্চ বিজেপি চৰকাৰৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উন্নয়নৰ প্ৰতি আকৃষ্ট হৈহে বহুতে দল ত্যাগ কৰি বিজেপি দলত যোগদানেৰে দেশ-ৰাজ্যৰ লগতে নিজৰ উন্নয়নৰ মানসিকতাৰে বিজেপিত যোগদান কৰিছে। অৱশ্যে, বিজেপি দলৰ এই বিশাল যোগদান কাৰ্যসূচীৰ ক্ষুৰধাৰ সমালোচনাৰে এপিএইচএলচি দলে মন্তব্য কৰে যে এয়া মাথোঁ এক ভেল্কীবাজিৰ বাহিৰে একো নহয়। আমাৰ দলৰ ইমান সৰহসংখ্যক সদস্য কেতিয়াও বিজেপিত যোগদান নকৰে বা কৰাটো সম্ভৱ নহয়। আমি এয়া মুঠেই মানি ল'ব নোৱাৰোঁ বুলি এপিএইচএলচি দলৰ নেতৃত্বই প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিৰোধীয়ে যিমানেই দম্ভালি মাৰি নাথাকক কিয় বিৰোধী দলৰ যে ভৰি তলৰ মাটি ক্ৰমান্বয়ে হেৰুৱাবলৈ ধৰিছে সেয়া নিশ্চিত বুলি আজিৰ তাৰিখত একাংশ ৰাজনৈতিকভাৱে সচেতন লোকেও মন্তব্য কৰিছে।

# যোৰহাটৰ পকিমূৰী হাবিগাঁও চন্দ্ৰধৰ বৰুৱা নগৰলৈ যাতায়াত কৰা পথত আদৰণি তোৰণ নিৰ্মাণৰ শুভাৰম্ভ বিধায়কৰ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ মে':** যোৰহাটৰ পশ্চিম অঞ্চলৰ নেইষ্টৰ পশ্চিম দিশৰ বায়ুসেনালৈ যাতায়াত কৰা পথটোৰ পৰা পকিমূৰী হাবিগাঁও চন্দ্ৰধৰ বৰুৱা নগৰলৈ যাতায়াত কৰা পথটোৰ সংযোগস্থলত ৰাইজে নিৰ্মাণ কৰিবলৈ লোৱা তোৰণখন নিৰ্মাণৰ আজি শুভাৰম্ভ কৰে স্থানীয় বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে। ১৯৮৮ চনৰ বানত আক্ৰান্ত হোৱা লোকসকলে পকীমূৰি হাবিগাঁৱত সাহিত্য ৰত্ন চন্দ্ৰধৰ বৰুৱাৰ নামত থকা ভূমি খণ্ডত বসবাস কৰিবলৈ লোৱা লোকসকলে চন্দ্ৰধৰ বৰুৱা নগৰ নাম দি গাঁওখন প্ৰতিষ্ঠা কৰি বসবাস কৰি আছে। গাঁওখনত উপস্বাস্থ্য কেন্দ্ৰ, খোৱাপানী যোগান কেন্দ্ৰ, প্ৰাথমিক, মধ্য ইংৰাজী বিদ্যালয়ৰ লগতে কালী মন্দিৰ, দুৰ্গা মন্দিৰ, দুটাকৈ নামঘৰ ৰাইজে প্ৰতিষ্ঠা কৰাৰ লগতে কেউটা পথেই চৰকাৰে পকীকৰণ কৰে। প্ৰতিষ্ঠা কালৰে পৰা গাঁওখনৰ সৈতে জড়িত হৈ থকা স্থানীয় বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে নিৰ্মাণৰ শুভাৰম্ভ কৰা তোৰণখন বৃহত্তৰ পকীমূৰি ৰঙালী বিহু উদযাপন সমিতিয়ে চৰকাৰৰ পৰা বিগত ৩ বছৰত বিহু সন্মিলন অনুষ্ঠিত কৰিবলৈ পোৱা ধনৰ ৰাহিৰে নিৰ্মাণৰ পৰিকল্পনা কৰিছে। তদুপৰি, তোৰণখন নিৰ্মাণৰ বাবে স্থানীয় বহুসংখ্যক লোকে আৰ্থিক সাহায্য আগবঢ়াইছে। ৬ মাহৰ ভিতৰত নিৰ্মাণৰ পৰিকল্পনা কৰা তোৰণখনৰ বাবে ধনৰ প্ৰয়োজন হ'লে বিধায়কজনে নিৰ্মাণৰ শুভাৰম্ভ কৰি আগবঢ়োৱা ভাষণত উল্লেখ কৰে। আৰম্ভণিতে ভাৰত-পাকিস্তানৰ সীমান্তত হৈ থকা যুদ্ধত শ্বহীদ হোৱাসকলৰ আত্মাৰ সদগতিৰ অৰ্থে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা অনুষ্ঠানৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত সেনা জোৱান বোধেশ্বৰ খাওন্দে। স্থানীয় বিধায়কজনৰ লগতে ইন্দ্ৰেশ্বৰ কলিতা, ইন্দ্ৰজিৎ কাকতি, অপূৰ্ব বৰা, সুৰজিৎ বৰা, পুষ্প বৰা, কৃষ্ণ শৰ্মা, বেদপ্ৰকাশ শৰ্মা প্ৰমুখ্যে উপস্থিত থকাসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তোৰণ নিৰ্মাণৰ শুভাৰম্ভণিত বন্তি প্ৰজ্বলন কৰে সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ কলিতাই। শিক্ষক কৃপাল দত্তই আঁতধৰা অনুষ্ঠানত তোৰণখন নিৰ্মাণৰ বাবে প্ৰায় ৫ লাখ টকাৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰে। খোল-তাল, আইসকলৰ উৰুলি ধ্বনিত বিধায়কজনে তোৰণ নিৰ্মাণৰ শুভাৰম্ভ অনুষ্ঠানত ভাগ লয়।

# বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ পদক্ষেপ

**ই-সংবাদ, বাঁহজানী, ১২ মে':** বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত অৰৰা জয়পালথান শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আজি সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৮৬.৪% নম্বৰ লাভ কৰা অৰৰা জয়পালথান শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুৰজ মহন্ত আৰু বিজ্ঞান শাখাত ৮৩.২% নম্বৰ লাভ কৰা অৰৰা জয়পালথান শাখা ছাত্ৰ সন্থাৰ উপ-সভাপতি বিভৱ মজুমদাৰক অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ শুভেক্ষণত সোমবাৰে অৰৰা জয়পাথান শাখা ছাত্ৰ সন্থাৰ তৰফৰ পৰা তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ ফুলাম গামোচা, কলম আৰু মানপত্ৰৰে শুভেচ্ছা আৰু অভিনন্দন জনোৱা হয়। আজিৰ সম্বৰ্ধনা অনুষ্ঠানটোত উপস্থিত থাকি বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থৰ সভাপতি ৰাহুল বৰ্মনে সতীৰ্থ দুগৰাকীক ভৱিষ্যত দিনত ইয়াতকৈ ভাল ফলাফল লাভ কৰি অঞ্চলটোৰ লগতে ছাত্ৰ সন্থাৰ পৰিয়ালটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে উৎসাহ জনায়। আজিৰ সম্বৰ্ধনা অনুষ্ঠানটোত অৰৰা জয়পালথান শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া পল্লৱ বৰ্মন, দ্বীপজ্যোতি বৰ্মন, অৰৰা ছাত্ৰ সমাজৰ বিষয়ববীয়া সঞ্জু বৰ্মন, জিণ্টু কলিতা আদি উপস্থিত থাকে।

# লাহিং জিলা পৰিষদ বিজেপিৰ দখলত

**ই-সংবাদ, মৰিয়নী, ১২ মে':** সকলো জল্পনা-কল্পনা অন্ত পেলাই মৰিয়নী সমষ্টিৰ অন্তৰ্গত লাহিং জিলা পৰিষদত শাসকীয় দল বিজেপিয়ে নিৰংকুশ বিজয় সাব্যস্ত কৰিছে। এটা সময়ত কংগ্ৰেছৰ শক্তিশালী গড় হিচাপে পৰিচিত এই এলেকাত এইবাৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ নেতৃত্বত বিজেপিয়ে ক্লিন চুইপ কৰিবলৈ সক্ষম হয়। প্ৰথম অৱস্থাত বিভিন্ন ৱাৰ্ডত দুই-তিনিজনকৈ বিজেপি সমৰ্থিত প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাক লৈ বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলৰ জয় কিছু কঠিন হ'ব পাৰে বুলি ভবা হৈছিল, যদিও ভোটৰ ফলাফলত সেই সম্ভাৱনা অসাৰ প্ৰমাণিত হয়। লাহিং জিলা পৰিষদ এলেকাৰ পূব লাহিং, লাহিং, চেলেং, হেমলাই আৰু পূব নকচাৰী পঞ্চায়তত আঞ্চলিক সদস্য বাবে বিজেপিয়ে সকলো আসন দখল কৰে। ইয়াৰে পূব নকচাৰীৰ পৰা মিনাক্ষী পাত্ৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে আৰু পূব লাহিঙৰ পৰা ঋতু বুঢ়াগোহাঁই, লাহিঙৰ পৰা ৰিকিমণি গগৈ, চেলেংৰ পৰা মণ্টু চুতীয়া আৰু হেমলাইৰ পৰা অনুপম গগৈয়ে বিজেপিৰ প্ৰাৰ্থী হিচাপে জয় লাভ কৰে। পূব যোৰহাট আঞ্চলিক পঞ্চায়তৰ লগতে লাহিং জিলা পৰিষদৰ সদস্য পদৰ বাবে বিজেপিয়ে সফলতা অৰ্জন কৰে। জিলা পৰিষদৰ আসনৰ বাবে বিজেপিৰ ৰাজেন গগৈয়ে কংগ্ৰেছৰ নিপন গগৈক ৪০৩২ ভোটৰ ব্যৱধানত পৰাস্ত কৰে। এই ফলাফলৰ জৰিয়তে বিজেপিয়ে লাহিং জিলা পৰিষদ এলেকাত নিজৰ শক্তি পুনঃ প্ৰতিষ্ঠা কৰাৰ কংগ্ৰেছৰ ওপৰত এক গুৰুত্বপূৰ্ণ মানসিক চাপৰ সৃষ্টি কৰিছে।

# পুৰণিগুদাম শংখধ্বনি শিল্পী সমাজৰ বাৰ্ষিক অংকীয়া নাট্যসন্ধ্যাৰ সফল সামৰণি

**ই-সংবাদ, পুৰণিগুদাম, ১২ মে':** নগাঁও জিলাৰ পুৰণিগুদামৰ শঙ্খধ্বনি শিল্পী সমাজৰ বাৰ্ষিক নাট্যনুষ্ঠান কালি গায়ন বৈৰাগী গাঁৱৰ বৰনামঘৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুযায়ী পুৱা ৯ বজাত পতাকা উত্তোলন কৰে শংখধ্বনি শিল্পী সমাজৰ সভাপতি দীপিকা বৰা গায়নে। দিনৰ ১১ বজাত নামপ্ৰসংগ, সন্ধ্যা ৫.৩০ বজাত বন্তি প্ৰজ্বলন, সন্ধ্যা ৭ বজাত সম্বৰ্ধনা অনুষ্ঠান, সন্ধ্যা ৭.৩০ বজাত বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ প্ৰায় শতাধিক শিশুৱে একেলগে বৰগীত পৰিৱেশন কৰে। নিশা ৮ বজাৰ পৰা শংখধ্বনি শিল্পী সমাজৰ প্ৰতিষ্ঠাপক উপদেষ্টা প্ৰয়াত পূৰ্ণচন্দ্ৰ গায়নদেৱৰ সোঁৱৰণত আৰু ভাস্কৰ্য পূৰ্ণ গায়ন, জ্ঞানদ্বীপ হাজৰিকা আৰু হিমাদ্ৰী সেনাপতিৰ পৰিচালনাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত “ৰাম বিজয়" অংকীয়া ভাওনা শংখধ্বনিৰ সদস্যসকলে পৰিৱেশন কৰে। প্ৰয়াত পূৰ্ণ চন্দ্ৰ গায়নৰ সোঁৱৰণত পৰিয়ালবৰ্গই আগবঢ়োৱা “ৰাম বিজয়" অংকীয়া ভাওনাখনৰ শুভ উদ্বোধন কৰে অসম সত্ৰ মহাসভাৰ পৰীক্ষা পৰিষদৰ সচিব পংকজ শইকীয়াই। উক্ত অনুষ্ঠানত বিশিষ্ট সমাজসেৱক তথা শিক্ষাবিদ গিৰিন্দ্ৰ কুমাৰ বৰুৱা, দিগন্ত প্ৰকাশ মহন্ত, যুগ ব্ৰত শৰ্মা, বিকাশ শইকীয়া, জ্যেষ্ঠ সাংবাদিক তথা সমাজসেৱক মুনীন্দ্ৰ শইকীয়াকে ধৰি বহুকেইজন গণ্য মান্য লোক উপস্থিত থকাৰ লগতে শংখধ্বনি শিল্পীসমাজৰ বহু কেইগৰাকী উপদেষ্টা উপস্থিত থাকে। উক্ত অনুষ্ঠানত শংখধ্বনি শিল্পী সমাজৰ প্ৰতিষ্ঠাপক উপদেষ্টা ফণীন্দ্ৰ নাথ গায়ন, সাংস্কৃতিক কৰ্মী দুলেন গায়ন, লংকেশ্বৰ গায়ন আৰু গায়ন বৈৰাগী গাঁৱৰ বৰনামঘৰত প্ৰায় ৩০ বছৰ কাল ধৰি বায়ন হিচাপে ৰাইজৰ সেৱা আগবঢ়োৱা তৰুণ গায়নক বিশেষভাৱে ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। শংখধ্বনি শিল্পী সমাজৰ বাৰ্ষিক অনুষ্ঠানত অনুষ্ঠিত হোৱা “ৰাম বিজয়" অংকীয়া ভাওনাখনত অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ দুগৰাকী যুৱ বিজ্ঞানী উপস্থিত থাকি ভাওনাখন উপভোগ কৰি অভিভূত হয় বুলি জানিব পৰা গৈছে। উক্ত অনুষ্ঠানতে শংখধ্বনি শিল্পী সমাজে বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয় বুলি জানিবলৈ দিয়ে।




গুৰুজনাৰ জন্মভূমি বটদ্ৰৱাত সতী ৰাধিকা উৎসৱ উদযাপন, ফটোঃ ই-সংবাদ, বেবেজীয়া

# ৰাইদঙীয়া-বটদ্ৰৱা পঞ্চায়তত বিজেপিৰ চাৰি মহিলা প্ৰাৰ্থীৰ জয়লাভ

**ই-সংবাদ, বেবেজীয়া, ১২ মে':** ৰাজ্যৰ আন আন প্ৰান্তৰ সমান্তৰালকৈ নগাঁও জিলাতো ইতিমধ্যে পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা সমাপ্ত হৈছে। জিলাখনৰ কাছমাৰী জিলা পৰিষদৰ বিভিন্ন পঞ্চায়তৰ ফলাফল ঘোষণাৰ পিছত নিশা ৯.৩০ বজাত ৰাইদঙীয়া-বটদ্ৰৱা পঞ্চায়তৰ ভোটগণনা আৰম্ভ হৈ শেষনিশা ফলাফল পোৱা যায়। ফলাফল অনুসৰি, পঞ্চায়তটোৰ ১ নং ৱাৰ্ডত ২২৫ টা ভোট লাভ কৰি দীপশিখা কলিতাই জয় লাভ কৰাৰ বিপৰীতে ২ নং ৱাৰ্ডত ২৫০ টা ভোট লাভ কৰি গীতাশ্ৰী কলিতা আৰু ৩ নং ৱাৰ্ডত ৩২৩ টা ভোট লাভ কৰি মনীষা বৰুৱাই শেষ হাঁহি মাৰে। ঠিক সেইদৰে ৪ নং ৱাৰ্ডত জিয়াবুৰ ৰহমান, ৫ নং ৱাৰ্ডত দীপজ্যোতি বৰদলৈয়ে বিজয় সাৰ্বস্ত কৰে। তদুপৰি ৬ নং ৱাৰ্ডত ২০৫ টা ভোট লাভ কৰি মামনি পাটৰ, ৭ নং ৱাৰ্ডত অংকুৰ শইকীয়া, ৮ নং ৱাৰ্ডত ৩৪৮ টা ভোট লাভ কৰি গৌতম ভূঞা, ৯ নং ৱাৰ্ডত তৰুণ চন্দ্ৰ কলিতা আৰু ১০ নং ৱাৰ্ডত ৩০০ টা ভোট লাভ কৰি শেৱালি দাসে জয় লাভ কৰিছে। ইফালে, পঞ্চায়তটোৰ আঞ্চলিক সদস্য পদত বিজেপি দলৰ প্ৰাৰ্থী স্মৃতা বৰাই বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হয়। উল্লেখ্য যে, শংকৰদেৱৰ গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত চাৰিগৰাকী মহিলা প্ৰাৰ্থী ক্ৰমে আঞ্চলিক সদস্য পদত স্মিতা বৰা, ১ নং ৱাৰ্ড সদস্য পদত দীপশিখা কলিতা, ২ নং ৱাৰ্ড সদস্যৰ পদত গীতাশ্ৰী কলিতা আৰু ৩ নং ৱাৰ্ড সদস্য হিচাপে মনিষা বৰুৱাৰ জয় লাভে অঞ্চলটোৰ মহিলা আৰু যুৱতীসকলক স্বাভাৱিকতেই উৎসাহিত কৰা পৰিলক্ষিত হৈছে। লগতে নিকা ভাবমূৰ্তিৰ এইসকল মহিলাই পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত ৰাইজক সুফল দিবলৈ সক্ষম হ'ব বুলি সচেতন মহলে আশা ব্যক্ত কৰিছে।পৰিলক্ষিত হয়।

# সৃজনগ্ৰামত তিনি জিলা পৰিষদত কংগ্ৰেছৰ শোচনীয় পৰাজয়

**ই-সংবাদ বিশেষ, কলগাছিয়া ১২ মে':** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত কোকিলা, ৰঙাপানী আৰু টাপাট্টাৰী জিলা পৰিষদ আসনত নিৰ্দলীয়ৰ হাতত কংগ্ৰেছৰ প্ৰাৰ্থী শোচনীয়ভাৱে পৰাজিত হয়। কোকিলা জিলা পৰিষদত নিৰ্দলীয় প্ৰাৰ্থী ৰমেজ উদ্দিনে কংগ্ৰেছৰ প্ৰাৰ্থী ছেকেণ্ডাৰ প্ৰধানীক বৃহৎ ভোটৰ ব্যৱধানত পৰাজিত কৰে। এই জয় ৰাইজৰ জয় আৰু কংগ্ৰেছৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে টিকট প্ৰদানৰ নামত খামখেয়ালিৰ উত্তৰ বুলি ৰমেজ উদ্দিনে মন্তব্য কৰে। কোকিলা, ৰঙাপানী, টাপাট্টাৰী জিলা পৰিষদত নিৰ্দলীয় প্ৰাৰ্থীয়ে জয় লাভ কৰাৰ লগতে সকলো আঞ্চলিক পঞ্চায়তৰ সদস্য/সদস্যাসকলে জয়লাভ কৰি কংগ্ৰেছক ধূলিস্যাৎ কৰে। ৰঙাপানী জিলা পৰিষদত নিৰ্দলীয় প্ৰাৰ্থী আবিদা চৌধুৰীয়ে কংগ্ৰেছৰ প্ৰাৰ্থীক শোচনীয়ভাৱে পৰাজিত কৰি জয় লাভ কৰিবলৈ সক্ষম হয়। ইপিনে, টাপাট্টাৰী জিলা পৰিষদতো নিৰ্দলীয় প্ৰাৰ্থী কেৰামত আলী কংগ্ৰেছক পৰাজিত কৰি নিৰ্বাচিত হয়। ইপিনে, বৰপেটা জিলাৰ খোলাবান্দা জিলা পৰিষদৰ আসনতো কংগ্ৰেছক পৰাজিত কৰি নিৰ্দলীয় প্ৰাৰ্থী আমিৰ হামজাই জয় লাভ কৰিবলৈ সক্ষম।

# বটদ্ৰৱাত সতী ৰাধিকা উৎসৱ

**ই-সংবাদ, বেবেজীয়া, ১২ মে':** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পৱিত্ৰ জন্মভূমি নগাঁও জিলাৰ বটদ্ৰৱাৰ শান্তিজানৰ সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত সোমবাৰে দিনজোৰা কাৰ্যক্ৰমণিকাৰে সন্মিলিত কেন্দ্ৰীয় সতী ৰাধিকা উৎসৱ উদযাপন সমিতিৰ উদ্যোগত তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সহযোগত সতী ৰাধিকা উৎসৱটি উদযাপন কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকৰ উপস্থিতিৰে সৃষ্টি হোৱা এক ওখল-মাখল পৰিৱেশত পুৱাৰ ভাগত স্বচ্ছতা অভিযানেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ লগতে গছপুলি ৰোপন কৰা হয়। ইয়াৰ পিছতে উদযাপন সমিতিৰ সভাপতি দিপাংকৰ হাজৰিকাই পতাকা উত্তোলন কৰাৰ অন্তত একাদিক্ৰমে স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে সতী ৰাধিকা সমন্বয়ৰক্ষী সমিতিৰ সভাপতি মণিৰাম দাসে। লগতে সতী ৰাধিকা, ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকা আৰু ভাৰতৰত্ন ডঃ বি আৰ আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হৰেশ্বৰ দাসৰ লগতে উদ্যোক্তা সমিতিৰ কৰ্মকৰ্তাসকলে। দুপৰীয়া বটদ্ৰৱা সতী ৰাধিকা নামঘৰত নাম-প্ৰসংগ আৰু গায়ন-বায়ন পৰিৱেশনেৰে চৌপাশ মুখৰিত কৰি তোলাৰ পিছতে সমাজ জীৱনত অৰিহণা যোগোৱা কেইবাজনো গুণী-জ্ঞানী ব্যক্তিক উদ্যোক্তা সমিতিৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিয়লি বহু পলমকৈ বিশৃংখলতাৰ মাজেৰে উদযাপন সমিতিৰ সভাপতি দিপাংকৰ হাজৰিকাৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত কৰা হয়। এটি বৰগীতেৰে শুভাৰম্ভ হোৱা মুকলি সভাৰ প্ৰাকক্ষণত শেহতীয়াকৈ পেহেলগামত সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ দিয়া আৰু পাক সেনাৰ আক্ৰমণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। উদযাপন সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল দাসে আঁত ধৰা সভাখনিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ উপেন ৰাভা হাকাচাম, অসম সত্ৰ মহাসভাৰ মুখপাত্ৰ ডঃ তাৰানাথ মহন্ত, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ সোণালী বৰা হাজৰিকা, দেৰগাঁৱৰ বিধায়ক তথা অসম অনুসুচিত জাতি পৰিষদৰ সভাপতি ভবেন্দ্ৰ নাথ ভৰালী, স্থানীয় বিধায়ক ৰূপক শৰ্মা, সাংস্কৃতিক সঞ্চালকালয়ৰ সাংস্কৃতিক উন্নয়ন বিষয়া জীতেন কুমাৰ দাসকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে সতী ৰাধিকাৰ সন্দৰ্ভত সাৰমৰ্মী ভাষণ প্ৰদান কৰে। সভাত যামিনী চন্দ্ৰ দাস, দীপামণি দাস বৰুৱা, সুতৰাম দাস, মনিৰাম দাস, শিক্ষাবিদ উমেশ দাস, ভাৰত দাস, সিদ্ধেশ্বৰ হাজৰিকা, প্ৰশান্ত হাজৰিকা, নৃপেন দাস, অমৰেন্দ্ৰ দাস, সোনা মেধী, সঞ্জীৱ দাস, অঞ্জলী তালুকদাৰ, গনেশ দাস, প্ৰভাত চন্দ্ৰ দাস, শিল্পী তৰুলতা দাস, দিব্যা হাজৰিকা, জয়ন্তী ভৰালী শইকীয়া, দীপা দাস, বকুল হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া টংকেশ্বৰ দাস, ইন্দ্ৰ মোহন বৰুৱা, মনোৰম দাস, ললিত হাজৰিকা, দীপাংকৰ দাস, জনাৰ্দন দাস, নিত্যানন্দ দাস, মৃদুল দাস, ভাৰত দাসকে প্ৰমুখ্য কৰি সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰৰ লগত জড়িত বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বাক্সাৰ পাখামাৰাত অভিনন্দন অনুষ্ঠান

**ই-সংবাদ, মুছলপুৰ, ১২ মে':** বাক্সাৰ পাখামাৰা আঞ্চলিক হৰি মন্দিৰ সমিতিৰ উদ্যোগত আজি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপনৰ্থে এক বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ডঃ হৰেকৃষ্ণ হালৈ। তেওঁ কৃতী ছাত্ৰ-ছাত্ৰীসকলক একোগৰাকী ভাল মানুহ হ'বলৈ আহ্বান জনায়। এই অনুষ্ঠানতে গাঁওখনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১৭ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, মানপত্ৰ আদিৰে অভিনন্দন জনোৱা হয়। উল্লেখ্য যে পাখামাৰা আঞ্চলিক হৰি মন্দিৰ সমিতিৰ সভাপতি লক্ষেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত পাখামাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক লংকেশ্বৰ বৰ্মন, দধিগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমূল্য বৰ্মন উপস্থিত থাকে।

# নলবাৰীত 'সাৰথি হ'ব খোজো' শীৰ্ষক অনুষ্ঠান



**ই-সংবাদ, বাঁহজানী, ১২ মে':** কুঞ্জলতা দেৱী শৈক্ষিক ন্যাসৰ উদ্যোগত আৰু নলবাৰী প্ৰেছ ক্লাবৰ সহযোগত আজি এঘাৰগৰাকী আৰ্থিকভাৱে অনগ্ৰসৰ শিক্ষাৰ্থীক কিতাপ-কাগজ-কলমৰ টোপোলা আগবঢ়োৱা হয়। নলবাৰী প্ৰেছ ক্লাবত অনুষ্ঠিত 'সাৰথি হ'ব খোজো' শীৰ্ষক অনুষ্ঠানত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বিশ্বজিৎ কলিতা, ধৃতিস্মিতা ডেকা, ডিম্পল সাউদ, পৰিস্মিতা বৰ্মন, ডেইজি শৰ্মা, ডিম্পী শৰ্মা, ধৃতিস্মান শৰ্মা, জান মালাকৰ, নেহা ডেকা, হিয়ামণি ডেকা আৰু নাজমা বেগমক সাহায্য আগবঢ়োৱা হয়। তদুপলক্ষে নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক মজিবুৰ ৰহমানে আঁত ধৰা অনুষ্ঠানটোত নলবাৰী আইন মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ধীৰাজ ভূষণ শৰ্মা, ধমধমা ছিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ বিষয় শিক্ষক ডঃ যোগেশ লহকৰ, ডি এছ আৰ একাডেমীৰ সঞ্চালক লাচিত ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৱজিত বেজবৰুৱাই শিক্ষাৰ্থীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ দিয়ে। যথেষ্টসংখ্যক সচেতন নাগৰিক উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ সভাখনত কুঞ্জলতা দেৱী শৈক্ষিক ন্যাসৰ তৰফৰ পৰা জ্যেষ্ঠ সাংবাদিক জিতেন শৰ্মাই শিক্ষাৰ্থীসকলৰ শৈক্ষিক জীৱনত সহায়ক হোৱাকৈ ভৱিষ্যতে অধিক ফলপ্ৰসূ ব্যৱস্থা হাতত লোৱাৰ কথা ব্যক্ত কৰে। সভাৰ পূৰ্বে কুঞ্জলতা দেৱীৰ প্ৰতিমূৰ্তিত ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে বন্তি প্ৰজ্বলন কৰে।

# গেলেকীৰ ন-পাম বাৰুৱতী পঞ্চায়তত দুৰ্গ খহিল কংগ্ৰেছৰ

**ই-সংবাদ, গেলেকী, ১২ মে':** সমাগত ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচন। তাৰ কেইমাহমানৰ পূৰ্বে অনুষ্ঠিত গাঁও পঞ্চায়তৰ নিৰ্বাচনত বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াৰ নাজিৰা সমষ্টিত তথৈবচ অৱস্থা হয় কংগ্ৰেছ দলৰ। সচেতন মহলৰ মতে ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনৰ ছেমি ফাইনেল সদৃশ আছিল এই পঞ্চায়ত নিৰ্বাচন। সদ্যঘোষিত পঞ্চায়ত নিৰ্বাচনৰ ফলাফলত নাজিৰাত বেয়াকৈ মুখ ঠেকেচা খাইছে কংগ্ৰেছ দলে। এসময়ৰ কংগ্ৰেছ দলৰ দখলত থকা কেইবাখনো গাঁও পঞ্চায়তত শাসনাধিষ্ঠ বিজেপি দলৰ সমৰ্থিত প্ৰাৰ্থীয়ে জয় লাভ কৰে। ইয়াৰ সমান্তৰালকৈ কংগ্ৰেছৰ দুৰ্গ হিচাপে জনাজাত ন-পাম বাৰুৱতী গাঁও পঞ্চায়তৰ ৯ টা ৱাৰ্ডতেই বিজেপিৰ সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থীয়ে জয় লাভ কৰি পঞ্চায়তখন সম্পূৰ্ণ নিজৰ দখললৈ নিছে। লগতে আঞ্চলিক পঞ্চায়তৰ বিজেপিৰ প্ৰাৰ্থী অজয় বৰুৱাও জয় লাভ কৰিছে। পঞ্চায়তখনত আঠখেল জিলা পৰিষদৰ প্ৰাৰ্থী মৌচুমী গগৈয়ে আঠ শতাধিক ভোটৰ ব্যৱধানত জয় লাভ কৰিছে।

# বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলন বাতিলৰ সিদ্ধান্ত

**ই-সংবাদ, বৰপেটাৰোড, ১২ মে':** আজিৰে পৰা বৰপেটাৰোডত আয়োজন কৰা হৈছিল ৪৯ সংখ্যক বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলনৰ। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তথা মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বাতিল কৰা হয় এই অনুষ্ঠান। সাৰ্বজনীন ৰঙালী বিহু সন্মিলনৰ তৰফৰ পৰা বাতিল কৰা হয় সন্মিলনৰ সকলো কাৰ্যসূচী। বৰপেটাৰোডবাসীয়ে দেশমাতৃ আৰু ভাৰতীয় সেনাৰ কুশল কামনাৰে বাতিল কৰে ৪৯ সংখ্যক বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহুৰ সকলো কাৰ্যসূচী। বিহু অনুষ্ঠানৰ বিপৰীতে দেশ মাতৃৰ কুশল-মংগলৰ বাবে লগতে ভাৰতীয় সেনাৰ সুৰক্ষাৰ কামনাৰে তথা ছহিদসকলৰ বাবে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰাৰ লগতে অনুষ্টুপীয়াকৈ উদযাপন কৰা হয় ৪৯ সংখ্যক সাৰ্বজনীন ৰঙালী বিহু সন্মিলন। অনুষ্ঠানত পতাকা উত্তোলন, বাৰ্ষিক স্মৰণিকা বিহুৱান উন্মোচন কৰা হয়। ৰঙালী বিহুৰ পতাকা উত্তোলন কৰে সভাপতি হিমাংশু ভৰালীয়ে, বন্তি প্ৰজ্বলন কৰে সাধাৰণ সম্পাদক কমল তালুকদাৰে আৰু স্মৰণিকা উন্মোচন কৰে বনজিৎ বৰ্মনে। দেশৰ বাবে যুদ্ধত নিয়োজিত সেনাসকলৰ মংগলৰ বাবে কবিতা পাঠ কৰে বিভিন্নজনে। এইবেলি ৪৯ সংখ্যক সাৰ্বজনীন ৰঙালী বিহু সন্মিলনখনি আজিৰে পৰা ১৪ মে'লৈ তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বৰপেটা ৰোড ষ্টেডিয়াম খেলপথাৰত আয়োজন কৰা হৈছিল।সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হিচাপে আছিল কমলিকা কাশ্যপ, কুমাৰ ধীৰাজ আৰু তৃষ্ণা দেৱীৰ গীতৰ অনুষ্ঠান। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তথা মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বাতিল কৰা হয় সকলো কাৰ্যসূচী।



ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলনৰ




মহিলা ত্ৰিদেশীয় শৃংখলাত শ্ৰীলংকাৰ বিৰুদ্ধে খেলৰ পিছত ভাৰতীয় দলৰ খেলুৱৈসকলৰ একাংশ

## আগতীয়া অৱসৰক লৈ অনুৰাগীৰ মাজত ব্যাপক কৌতূহল

# এটি যুগৰ অন্ত! বিৰাট অধ্যায় সামৰি টেষ্ট ক্ৰিকেটক বিদায় কোহলিৰ

**নতুন দিল্লী, ১২ মে':** হঠাতে আহিল অপ্ৰত্যাশিত খবৰটো। দেশৰ ক্ৰিকেটপ্ৰেমীয়ে কেতিয়াও শুনিব নিবিচৰা বাতৰিটোৱে স্তম্ভিত তথা আৱেগবিহ্বল কৰি তুলিলে সকলোকে। ভাৰতীয় ক্ৰিকেটৰ এটি উজ্জ্বল অধ্যায়ৰ অন্ত পেলাই আজি টেষ্ট ক্ৰিকেটৰ পৰা বিদায় লোৱাৰ কথা ছ'চিয়েল মিডিয়াযোগে ঘোষণা কৰিলে ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক বিৰাট কোহলিয়ে। ক্ৰিকেটকে জীৱন বুলি বিশ্বাস কৰা কোহলিৰ এই সিদ্ধান্তই কেৱল এজন খেলুৱৈৰ অৱসৰ নহয়, ভাৰতীয় ক্ৰিকেটৰ এটি যুগৰ অন্ত ঘোষণা কৰিলে। ২০১১ চনত টেষ্ট ক্ৰিকেটত আত্মপ্ৰকাশ কৰা কোহলীয়ে ১২৩ খন খেলত ৯২৩০ ৰান অৰ্জন কৰি ৩০ টা শতক অৰ্জন কৰিছিল। গড় আছিল ৪৬.৮৫। কিন্তু এই সংখ্যাৰ উৰ্ধ্বত তেওঁ আছিল সেইজন খেলুৱৈ যিয়ে নিজৰ আকৰ্ষণীয়তা, আগ্ৰাসী মনোভাব আৰু নিৰন্তৰ সংকল্পৰে ভাৰতীয় দলক নতুন উচ্চতালৈ লৈ গৈছিল। ২০১৪ ৰ পৰা ২০২২ পৰ্যন্ত অধিনায়ক হিচাপে তেওঁ ৪০ খন টেষ্ট মেচত দলক জয়লাভ কৰাই ভাৰতীয় ক্ৰিকেটৰ ইতিহাসত আটাইতকৈ সফল অধিনায়ক হৈ পৰিছিল। বিশেষকৈ অষ্ট্ৰেলিয়াত টেষ্ট শৃংখলা জয় ভাৰতীয় ক্ৰিকেটৰ কোহলী যুগৰ অন্যতম গৌৰৱৰ মুহূৰ্ত। অৱসৰৰ কথা ঘোষণা কৰি কোহলীয়ে কয়, 'এই ফৰ্মেটৰ পৰা আঁতৰি যোৱাটো সহজ নহয়, কিন্তু এয়াই সঠিক যেন অনুভৱ হৈছে। মই ইয়াক মোৰ সকলোখিনি দিছোঁ, আৰু ই মোক আশা কৰাতকৈ বহু বেছি ঘূৰাই দিছে।' যদিও বিৰাটে টেষ্ট আৰু টি-২০ ক্ৰিকেটৰ পৰা বিদায় লৈছে তেওঁ একদিনীয়া ক্ৰিকেট খেলা অব্যাহত ৰাখিব। মন কৰিবলগীয়া যে এবছৰৰ ভিতৰতে টী-২০ ৰ পিছত বিৰাট কোহলিয়ে টেষ্ট ক্ৰিকেটৰ পৰাও অৱসৰ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰাটো ভাৰতীয় দলৰ বাবে শুভ সংবাদ নহয়। সম্পূৰ্ণ সুস্বাস্থ্য বৰ্তি থকা কেৱল ৩৬ বছৰীয়া ক্ৰিকেটাৰগৰাকীয়ে কি কাৰণে ইমান সোনকালে অৱসৰ ঘোষণা কৰিলে সেয়া অনুৰাগীসকলৰ বাবে ৰহস্যৰ বিষয় হৈ পৰিছে। ইংলেণ্ড ভ্ৰমণৰ ঠিক পূৰ্বেই বিৰাট কোহলিয়ে হঠাৎ অৱসৰ লোৱাটো ভাৰতীয় ক্ৰিকেটৰ বাবে গুৰুত্বপূৰ্ণ বিষয়। ইতিমধ্যে ৰোহিত শৰ্মা আৰু আৰ অশ্বিনেও অৱসৰ গ্ৰহণ কৰিছে। ৰাহানে আৰু পূজাৰা দলৰ বাহিৰত আছে। ছামী আৰু বুমৰাহ সম্পূৰ্ণ সুস্থ নহয়। একদিনীয়াত ৫১ টা শতকৰ গৰাকী কোহলীৰ পৰা অনুৰাগীসকলে এতিয়াও বহু আশা ৰাখিছে। ১০৩ খন টেষ্ট খেলি বিৰাট কোহলিয়ে ৯২৩০ ৰান সংগ্ৰহ কৰিছিল। টেষ্ট ক্ৰিকেটত তেওঁৰ নামত আছে ৩০ টা শতক আৰু ৩১ টা অৰ্ধ শতক। টেষ্টত তেওঁৰ ব্যক্তিগত সৰ্বোচ্চ স্ক'ৰ অপৰাজিত ২৫৪ ৰান।



বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি